Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, MARCH 26, 2025 ■ বুধবাৰ, ১২ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৮ Guwahati, Assam ।। মূল্যঃ এটকা

জনমূৰি ঋণ ৪৭ হাজাৰ

## বিধানসভাত কংগ্ৰেছ বিধায়কৰ প্ৰতীকী প্ৰতিবাদ

ই-সংবাদ, ২৫ মাৰ্চঃ আজিও বিধানসভাৰ বাজেট অধিৱেশনৰ বিধানসভা চৌহদত কংগ্ৰেছে প্ৰতিবাদ ১২ পৃষ্ঠাত চাওক

## এপেক্স বেংকৰ বিয়াগোম কেলেংকাৰীৰ বিৰুদ্ধে প্ৰতিবাদ

'লুট বিশ্বজিৎ লুট, ৰাইজৰ টকা লুট' শ্ল'গান যুৱ শক্তিৰ

অধ্যক্ষ বিশ্বজিত ফুকনৰ গ্ৰেপ্তাৰৰ দাবী



ই-সংবাদ, ২৫ মাৰ্চঃ এপেক্স বেংকত সংঘটিত কোটি কোটি টকাৰ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে আজি শেষাংশ ৩ পৃষ্ঠাত

## মজুৰি বৃদ্ধিৰ দাবীৰে ৰাজপথত নামিব চাহ শ্ৰমিক

ই-সংবাদ, ২৫ মাৰ্চঃ ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে পুনৰ ৰাজপথত ৪ পৃষ্ঠাত চাওক

## গাফিলতি! আৰক্ষী বিষয়াক ৰিজাৰ্ভ ক্ল'জড

ই-সংবাদ, ওদালগুৰি, ২৫ মাৰ্চঃ যোৱা ১৩ মাৰ্চত ওদালগুৰি জিলাৰ ৩ পৃষ্ঠাত

গ্ৰেপ্তাৰ সাংবাদিক! নিন্দা কংগ্ৰেছ, অজাপ, ৰাইজৰ দল, আছুৰ

# দুৰ্নীতিৰ বিৰুদ্ধে প্ৰশ্ন কৰা মিডিয়াক টেঁটু চেপা শাসকতন্ত্ৰৰ

ই-সংবাদ, ২৫ মাৰ্চঃ ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত ষড়যন্ত্ৰমূলকভাৱে এগৰাকী সাংবাদিকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এপেক্স বেংকত সংঘটিত দুৰ্নীতিৰ বিৰুদ্ধে আজি অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তিয়ে বেংকটোৰ পাণবজাৰৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ কৰাৰ সময়তে ২ পৃষ্ঠাত চাওক



জনমূৰি ঋণ বৃদ্ধিৰ বিৰুদ্ধে কংগ্ৰেছৰ প্ৰতিবাদ

## 'বিধানসভাৰ গৰিমা ম্লান পৰিছে'

ই-সংবাদ, ২৫ মাৰ্চঃ অসম বিধানসভাৰ যি গৰিমা আৰু মহত্ব সেয়া একেবাৰে ২ পৃষ্ঠাত

## সাংবাদিকক গ্ৰেপ্তাৰ, গৰিহণা ভূপেন বৰাৰ

ই-সংবাদ, ২৫ মাৰ্চঃ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত এইখন চৰকাৰে বাৰে ৫ পৃষ্ঠাত চাওক

নতুন সভাপতিৰ ৰঙাচকু

## ঘোষা গাই ক্ষমা বিচাৰিলে কুৰ্মীয়ে



ই-সংবাদ, ২৫ মাৰ্চঃ মাধৱদেৱ গুৰুজনাৰ দ্বাৰা ৰচিত নামঘোষা গাই অসমবাসীক ক্ষমা খুজিলে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি ২ পৃষ্ঠাত

## ৰাহুল গান্ধীৰ নাগৰিকত্বক লৈ আদালতত বিজেপি! কেন্দ্ৰৰ উত্তৰ বিচাৰিলে হাই ক'ৰ্টে

নাগপুৰ, ২৫ মাৰ্চঃ উচ্চতম ন্যায়ালয়ৰ বাধাৰ পিছতো উত্তৰ প্ৰদেশৰ আহিঁত মহাৰাষ্ট্ৰত বুলড'জাৰ ৩ পৃষ্ঠাত চাওক

## ঐতিহাসিক শিৱসাগৰত টাই আহোমৰ গৰ্জন, ২৬ৰ পূৰ্বে জনজাতিকৰণৰ দাবী

ই-সংবাদ, শিৱসাগৰ, ২৫ মাৰ্চঃ সদৌ টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ বৰ্ডিং খেলপথাৰত আয়োজন কৰা গণ শেষাংশ ৪ পৃষ্ঠাত



উপ-মুখ্যমন্ত্ৰীক লৈ ব্যংগ কৰি সমৰ্থকৰ ৰোষত কমেডিয়ান

## কাৰো ভয়ত মই বিচনাৰ তলত সোমাই নাথাকোঃ কুনাল

মুম্বাই, ২৫ মাৰ্চঃ মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী একনাথ সিন্দেক লৈ কৌতুক কৰাৰ বাবেই গুৰুতৰ সমস্যাত পৰিছে কমেডিয়ান কুনাল কামৰা। সিন্দেৰ বিৰুদ্ধে শেষাংশ ২ পৃষ্ঠাত

বিধানসভাত দাখিল সংশোধনী বিধেয়ক

## ৫ মে'ৰ ভিতৰত সম্পন্ন হ'ব পঞ্চায়ত নিৰ্বাচন!

গুৱাহাটী, ২৫ মাৰ্চঃ কেতিয়া পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব তাক লৈ অব্যাহত আছে জল্পনা-কল্পনা। ইয়াৰ পূৰ্বে ২ পৃষ্ঠাত



চৰকাৰক দিলে ধমক

## বুলড'জাৰ শাসনত ক'ৰ্টৰ স্থগিতাদেশ

নাগপুৰ, ২৬ মাৰ্চঃ উচ্চতম ন্যায়ালয়ৰ বাধাৰ পিছতো উত্তৰ প্ৰদেশৰ আহিঁত মহাৰাষ্ট্ৰত বুলডোজাৰ ১২ পৃষ্ঠাত চাওক

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘোষা গাই ক্ষমা বিচাৰিলে কুৰ্মীয়ে

কুৰ্মীয়ে। মাধৱদেৱৰ গুৰুজনাৰ "মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো/ৰসময় মাগোহো ভকতি"... ঘোষা আওৰাই অসমবাসীক আজি বিধানসভাৰ বাহিৰত সাংবাদিকৰ কেমেৰাৰ সন্মুখত ঘোষা গাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ পৰামৰ্শমৰ্মে ক্ষমা খোজা বুলি উল্লেখ কৰে। ৰূপজ্যোতি কুৰ্মীয়ে কয় যে উক্ত দিনা মোৰ সুখ দুখ লাগিল। হয়তো চাহ জনগোষ্ঠীৰ লোক হিচাপে ৰজাঘৰীয়া লোকসকলে মোক লৈ চিন্তা কৰে। কিন্তু মোক বাধা দিবলৈ চেষ্টা কৰে। লগতে কোনোবা মিঞা বিধায়কে বেয়াকৈ ক'বলৈ সাহস কৰা বুলি উল্লেখ কৰি কুৰ্মীয়ে কয় যে সেয়া মই অসমৰ ৰাইজৰ ওপৰত এৰিলো। আমি অসমৰ মাটি, পানী, বায়ুৰ লগত মিলি অসমৰ অৰ্থনীতিত আগবঢ়োৱা, অসমত বাস কৰি অসমত বৰঙণি আগবঢ়াইছো। বৃহত্তৰ অসমীয়া জাতি মিলি পৰিলো। আমি খিলঞ্জীয়া লোক। কোনোবা মিঞাই আহি এনেকৈ বেয়াকৈ ক'ব, এই বিচাৰ অসমৰ ৰাইজৰ ওপৰত এৰিলো। কিন্তু সামাজিক মাধ্যমত একাংশ লোকে প্ৰশ্ন কৰি ৰূপজ্যোতি কুৰ্মীক কয় যে কুৰ্মীয়ে যিফাকি ঘোষা আওৰাই অসমবাসীক ক্ষমা খুজিছে সেই ঘোষাফাকি অসমীয়া মানুহে শ্ৰাদ্ধ, সৎকাৰ আদি অনুষ্ঠানত ব্যৱহাৰ কৰে। যদি দোষ মৰিষণ কৰিবলগীয়া হয় তেন্তে 'অপৰাধ বিনাশন/তযু নাম নাৰায়ণ/জানি নামে পশিলো শৰণে' ঘোষা পাঠ কৰিব লাগিছিল বুলি কয়। ৰূপজ্যোতি কুৰ্মীয়ে বিধানসভাৰ ভিতৰত সংঘটিত কৰা কাণ্ডৰ বাবে ক্ষমা খুজিছিল। কিন্তু আজি অসম বিধানসভাৰ বাহিৰত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই পত্ৰ যোগে দিয়া নিৰ্দেশৰ ভিত্তিত ক্ষমা খুজিবলৈ বাধ্য হয়। ২১ মাৰ্চত বাজেট অধিৱেশনৰ দ্বাদশ দিনটোৰ কাৰ্যপ্ৰণালী চলি থকাৰ সময়তে মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে থিয় হৈ বক্তব্য ৰখাৰ সময়তে অখিল গগৈয়ে ধোদৰ আলি সন্দৰ্ভত প্ৰশ্ন কৰিছিল। অখিল গগৈয়ে থিয় হৈ মৰিয়নি সমষ্টিৰ সৈতে ঐতিহাসিক ধোদৰ আলি সংপৃক্ত হৈ থকাত জৰাজীৰ্ণ ধোদৰ আলিৰ নিৰ্মাণ আধৰুৱা হৈ থকাত ৰাইজে যমৰ যাতনা ভুগি অহাত অখিল গগৈয়ে সুযোগ বুজি ৰূপজ্যোতি কুৰ্মীয়ে বক্তব্য ৰাখি থকাৰ সময়তে বিষয়টো উত্থাপন কৰিছিল। তেতিয়াই খঙত অগ্নিশৰ্মা হয় ৰূপজ্যোতি কুৰ্মী। ফলত নিজ আসনৰ পৰা উঠি আহি কুৰ্মীয়ে অখিল গগৈ, শ্বেৰমান আলী আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক অবাইচ মাত মাতে। লগতে প্ৰহাৰ কৰিবলৈ উদ্যত হয়। এই ঘটনাক ৰাজ্যৰ সচেতন সমাজে গৰিহণা দিয়াৰ লগতে জনপ্ৰতিনিধিৰ আচৰণ আৰু সংস্কৃতিক লৈ প্ৰশ্ন উঠিছে। তাৰ মাজতে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই এই আচৰণ বিজেপিৰ পৰিপন্থী বুলি কৈ দাদা ব্ৰিগেডৰ সদস্য কুৰ্মীক ৰঙা চকু দেখুৱাইছিল। অপ্ৰত্যাশিত আচৰণত উদ্বেগ প্ৰকাশ কৰি ভাৰতীয় জনতা পাৰ্টী অনুশাসনসমৃদ্ধ আৰু এক বিশেষ সংস্কাৰৰ দ্বাৰা পৰিচালিত বুলি কৈ অসমবাসীক ক্ষমা বিচৰাৰ নিৰ্দেশ দিছিল। তাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল। মুখ্যমন্ত্ৰীয়ে বিধানসভাত ৰূপজ্যোতি কুৰ্মীয়ে কৰা ব্যৱহাৰ ভাৰতীয় জনতা পাৰ্টিৰ সংস্কৃতিৰ পৰিপন্থী বুলি স্পষ্টকৈ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক সভাপতিয়ে বিধায়ক ৰূপজ্যোতি কুৰ্মীক অসমৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিবলৈ নিৰ্দেশ দিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰো ভয়ত মই বিচনাৰ তলত সোমাই

মঞ্চত ৰগৰ কৰাৰ পিছতে কামৰাৰ ষ্টুডিঅ'ত প্ৰৱেশ কৰি ব্যাপক ধ্বংসলীলা চলায় সিন্দে সমৰ্থকে। ইয়াৰ লগতে কমেডিয়ানগৰাকীক দেশৰ পৰা বাহিৰ কৰি দিয়াৰো ভাবুকি প্ৰদান কৰে। অৱশ্যে এনে ভাবুকিৰ পিছতো বিচলিত নোহোৱাকৈ কামৰাই স্পষ্ট কৰি দিছে, "মই কাৰো ভয়ত বিচনাৰ তলত লুকাই নাথাকো।" এই ঘটনাৰ পিছতে কুনাল কামৰাই ছ'চিয়েল মিডিয়াত নিজৰ মতামত প্ৰকাশ কৰি কয়, "য'ত শ্ব'টো পৰিবেশন কৰা হৈছিল সেই মঞ্চখন মাত্ৰ এখন ঠাই। মই তাত ধেমালি কৰো নে ৰাজনৈতিক ভাষণ দিওঁ তাৰ বাবে মঞ্চখন দায়বদ্ধ নহয়। ফলত তাত আক্ৰমণ কৰাটো সম্পূৰ্ণ মূৰ্খামি। উদাহৰণস্বৰূপে, কোনোবাই যদি বাটাৰ চিকেন ভাল নাপায়, তেন্তে তেওঁলোকে গৈ বিলাহীৰ ট্ৰাকত আক্ৰম কৰিব নেকি?" কুনালে বাক্ স্বাধীনতাৰ পোষকতাও কৰি কয়, "কমেডিয়ানৰ স্বাধীনতা কেৱল ধনী আৰু শক্তিশালীক প্ৰশংসা কৰাত সীমাবদ্ধ থাকিব নালাগে। এজন প্ৰভাৱশালী ব্যক্তিয়ে সাধাৰণ মানুহৰ ক্ষতি কৰিব পাৰে, তথাপি সামান্য ধেমালিও সহ্য কৰিব নোৱাৰে!" এই ঘটনাৰ পিছত কুনালক ৰাজহুৱা ভাবুকি দিয়া এটা অডিঅ' ভাইৰেল হৈছিল, য'ত শিৱসেনাৰ সমৰ্থক বুলি দাবী কৰা এজন ব্যক্তিয়ে কুনালক ফোনযোগে কয়, "শ্ব'টো হোৱা হোটেল আৰু ষ্টুডিঅ'লৈ চাগৈ, আৰু কি কৰা হৈছে চাই ল'গৈ। তোক য'তেই পাম তাতেই তোৰ লগতো একেই কাম কৰিম।" উল্লেখ্য যে শেহতীয়াকৈ কুনাল কামৰাই মুম্বাইৰ এখন হোটেলত শ্ব' কৰিছিল, য'ত তেওঁ মহাৰাষ্ট্ৰৰ শেহতীয়া ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত ব্যংগ কৰে। শিৱসেনাৰ বিভাজনৰ বিষয়টোৰ উদ্ধৃতি দি তেওঁ একনাথ সিন্দেৰ নাম নোলোৱাকৈ 'গাড্ডাৰ' বুলি কটাক্ষ কৰে। ভিডিঅ'টো ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাৰ লগে লগে সিন্দেৰ সমৰ্থকৰ ক্ষোভ তুংগত উপনীত হয়। দেওবাৰে শ্ব' ৰেকৰ্ডিং কৰা হোটেলখনত শিৱসেনা (সিন্দে) ফৈদৰ সমৰ্থকে আক্ৰমণ কৰি ব্যাপক ক্ষয়-ক্ষতি সংঘটিত কৰে। ইফালে এই বিষয়ত কুনালৰ বিৰুদ্ধে একাধিক এজাহাৰো দাখিল কৰা হৈছে, তেওঁক দেশ এৰি যাবলৈও সকীয়াই দিয়া হৈছে। এই বিষয়টোক লৈ ৰাজনৈতিক মহলত বিতৰ্ক বিয়পি পৰিছে। অৱশ্যে কুনালে স্পষ্টকৈ কৈছে যে তেওঁ কোনোপধ্যেই ক্ষমা নোখোজে আৰু কাৰো ভাবুকিৰ প্ৰতিও ভয় নকৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ মে'ৰ ভিতৰত

পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাক লৈ এক গুৰুত্বপূৰ্ণ ইংগিত প্ৰদান কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ পিছতে এইবাৰ পঞ্চায়ত নিৰ্বাচনক লৈ আন এক সম্ভাৱনা ব্যক্ত কৰিলে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। তেওঁ জনোৱা মতে, "৩১ মাৰ্চলৈকে আৱাস যোজনাৰ জৰীপৰ কাম চলিব আৰু আগন্তুক পঞ্চায়ত নিৰ্বাচন ৫ মে'ৰ ভিতৰত সম্পূৰ্ণ হ'ব।" মঙলবাৰে অসম বিধানসভাত গৃহীত হৈছে অসম পঞ্চায়ত আইন সংশোধনী বিধেয়ক ২০২৫। এই সংশোধনীৰ জৰিয়তে গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তৰ বিত্তীয় ক্ষমতা বৃদ্ধিৰ লগতে জিলা পৰিষদৰ ক্ষমতা হ্ৰাস কৰা হৈছে। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লক্ষ্যৰে অনা এই সংশোধনীত ১০৫, ১০৮ আৰু ১০৯ ধাৰা সংশোধন কৰি পঞ্চায়ত ব্যৱস্থাত গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ পথ মুকলি কৰা হৈছে। মন্ত্ৰী ৰণজিৎ দাসে সাংবাদিকৰ আগত কয়, "এই সংশোধনীৰ জৰিয়তে গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তক পূৰ্বতকৈ অধিক ক্ষমতা প্ৰদান কৰা হৈছে। পূৰ্বৰ আইনত পঞ্চায়তৰ ক্ষমতা প্ৰকৃতাৰ্থত বিকেন্দ্ৰীকৰণ হোৱা নাছিল।" নতুন আইন অনুসৰি, গাঁও পঞ্চায়তসমূহে এতিয়াৰ পৰা ৫ লাখ টকালৈকে হাট-বজাৰ, নাও-ফেৰীৰ ঘাট আদিৰ নিবিদা আহ্বান কৰিব পাৰিব। আঞ্চলিক পঞ্চায়তৰ ক্ষেত্ৰত এই সীমা ৫ৰ পৰা ১০ লাখ টকা নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ বিপৰীতে, ১০ লাখ টকাৰ ওপৰৰ নিবিদাৰ দায়িত্ব জিলা পৰিষদৰ হাতত থাকিব। তেওঁ আৰু জনায়, "পূৰ্বতে গাঁও পঞ্চায়তৰ নিবিদা আহ্বানৰ কোনো ক্ষমতা নাছিল। আঞ্চলিক পঞ্চায়তৰ সীমা আছিল মাত্ৰ ১ লাখ টকা। ফলত বজাৰ বা ঘাটৰ নিবিদাৰ সম্পূৰ্ণ দায়িত্ব জিলা পৰিষদে পালন কৰিছিল। এতিয়া এই ব্যৱস্থা সলনি কৰি পঞ্চায়তৰ হাত শক্তিশালী কৰা হৈছে।" মন্ত্ৰীগৰাকীয়ে লগতে কয় যে আগন্তুক পঞ্চায়ত নিৰ্বাচনত দলীয় প্ৰতীক বা প্ৰাৰ্থী নাথাকিব। "এই নিৰ্বাচনত সমাজৰ সৰ্বজনগৃহীত প্ৰাৰ্থীৰ দ্বাৰা পৰিচালিত হ'ব। নৱনিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক সন্মান জনাই তেওঁলোকৰ বিত্তীয় ক্ষমতা বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে।" তেওঁ কয়।এই সংশোধনী বিধেয়কৰ প্ৰস্তাৱনা আৰু পৰিপালনৰ বিষয়ে বিধানসভাৰ বাহিৰত মন্ত্ৰী ৰণজিৎ দাসে সাংবাদিকৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁৰ মতে, এই পদক্ষেপে অসমৰ পঞ্চায়ত ব্যৱস্থাত এক নতুন অধ্যায়ৰ সূচনা কৰিব আৰু গ্ৰাম্য পৰ্যায়ত উন্নয়নৰ কামত গতি আনিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপেক্স বেংকৰ বিয়াগোম

বিৰোধী দল অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তিয়ে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। গুৱাহাটীৰ পাণবজাৰস্থিত বেংকটোৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দি শেহতীয়াকৈ সংঘটিত বিয়াগোম কেলেংকাৰীৰ তদন্ত দাবী কৰে অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠন জাতীয় যুৱ শক্তিয়ে। আজি দুপৰীয়া অসম জাতীয় পৰিষদৰ ভাতৃ সংগঠনটোৱে প্ৰতিবাদ সাব্যস্ত কৰি শীঘ্ৰে দুৰ্নীতিৰ তদন্ত কৰাৰ লগতে বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনক পদৰ পৰা অপসাৰণ কৰাৰ দাবী উত্থাপন কৰে। জাতীয় যুৱ শক্তিৰ শতাধিক নেতা-কৰ্মীয়ে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ শ্ল'গান দিয়াত উত্তাল পৰিৱেশৰ সৃষ্টি হয়। লুট বিশ্বজিৎ লুট-ৰাইজৰ টকা লুট, দুৰ্নীতিৰ মহানায়ক এপেক্স বেংকৰ মহানায়ক অধ্যক্ষ বিশ্বজিতক গ্ৰেপ্তাৰ কৰক, ৰাইজৰ বেংক এপেক্স বেংক ৰক্ষা কৰক, এপেক্স বেংকত দুৰ্নীতি বন্ধ কৰক, ২০ কোটি ৩০ লাখ টকা খালে ঐ, বিশ্বজিৎ ফুকনে খালে আদি শ্লগানেৰে উত্তাল কৰি তোলে পৰিৱেশ। প্ৰতিবাদকাৰীসকলে কয় যে সৰুপথাৰ সমষ্টিৰ বিধায়ক তথা এপেক্স বেংকৰ অধ্যক্ষ ফুকনে বেংকটোত লুণ্ঠন চলাই গৈছে। পত্নীয়ে চাকৰি কৰা মহাবিদ্যালয়ক কেৱল আৰ্থিক অনুদান প্ৰদান কৰিছে। সৰুপথাৰ মহাবিদ্যালয়ক চেমিনাৰ পাতিবলৈ বেংকৰ ফালৰ পৰা ২.২০ লাখ টকা দিয়া হৈছে। কিন্তু অসমৰ অন্য কোনো মহাবিদ্যালয়ক আজিলৈ অনুদান দিয়া নাই। এজন প্ৰতিবাদকাৰীয়ে কয় যে বেংকৰ বৰ্ড অৱ ডাইৰেক্টৰৰ অনুমতি অবিহনেই অধ্যক্ষ বিশ্বজিৎ ফুকনৰ অনুগ্ৰহত মহাবিদ্যালয়খনে অনুদান লাভ কৰিছে। এপেক্স বেংকত গ্ৰাহকে জমা থোৱা ৰাজহুৱা ধনৰ অপচয় কৰা হৈছে। অধ্যক্ষ বিশ্বজিৎ ফুকনৰ অনিয়মৰ বিৰুদ্ধে ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষলৈ পত্ৰ প্ৰদান কৰিছে অসম চৰকাৰৰ সমবায় বিভাগৰ উপ-সচিবে। এপেক্স বেংকৰ ধৰিছিল বেংকক। ছিষ্টেম পৰিচালনা কৰিছিল কেপিএনজি নামৰ এটা কনছালটেণ্ট প্ৰতিষ্ঠানে। একেই প্ৰতিষ্ঠানকে এইবাৰো ২৮ কোটি টকাৰ চুক্তি কৰা হৈছে। আজি প্ৰতিবাদ সাব্যস্ত কৰা সংগঠনটোৰ নেতৃত্বই কয় যে এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকন আৰু পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াই এনে সিদ্ধান্ত গ্ৰহণ কৰিছে। অধিক ধনৰ বিনিময়ত ছিষ্টেম পৰিচালনাৰ দায়িত্ব পূৰ্বৰ কোম্পানীক গতাই কমিছনৰ অংক কৰা হৈছে। হাৰ্ডৱেৰৰ বাবদ ২৮ কোটি, ছফ্টৱেৰৰ বাবদ ৬ কোটি, মেইনটেন্সৰ বাবদ ১৪ কোটি আৰু কনছাল্টটেণ্টৰ বাবদ ৪ কোটি টকা বেংকৰ পৰা উলিয়াই দিব কোম্পানী কেইটাক। চিবিএছৰ নামত এপেক্স বেংকটোত ১৫ কোটিতকৈ অধিক টকাৰ অনিয়ম সংঘটিত হৈছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ পাইছে। কিন্তু চৰকাৰ তথা ৰিজাৰ্ভ বেংকে গুৰুত্ব প্ৰদান কৰা নাই। যাৰ বাবে আমি আজি প্ৰতিবাদ কৰিবলৈ বাধ্য হৈছো। সংগঠনটোৱে কেলেংকাৰীৰ তদন্ত কৰি অধ্যক্ষ বিশ্বজিৎ ফুকন আৰু পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াক গ্ৰেপ্তাৰৰ দাবী উত্থাপন কৰে। আনহাতে আজি বেংকৰ সন্মুখত প্ৰতিবাদৰ সময়তে গুৱাহাটীৰ এটা প্ৰতিষ্ঠিত সংবাদ প্ৰতিষ্ঠানৰ সাংবাদিকক আটক কৰা হয়। এপেক্স বেংকৰ সন্মুখত প্ৰতিবাদৰ সময়তে বেংকটোত সংঘটিত কেলেংকাৰী সন্দৰ্ভত বেংকটোৰ ভিতৰত সোমাই পৰিচালন সঞ্চালকক প্ৰশ্ন কৰিবলৈ যোৱাত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক আৰক্ষীয়ে আটক কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীৰ নাগৰিকত্বক লৈ

শাসন আৰম্ভ কৰিছে ফাড়নবিছ চৰকাৰে! নাগপুৰত সাম্প্ৰদায়িক হিংসাৰ পিছত এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ ঘৰ আৰু দোকান ভাঙি পেলোৱাৰ অভিযোগক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। হিংসাত্মক ঘটনাৰ অন্যতম অভিযুক্ত ফাহিম খানৰ ঘৰৰ এটা অংশ ইতিমধ্যে ভাঙি পেলোৱা হৈছে। প্ৰশাসনৰ এই বুলড'জাৰ নীতিক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পিছতে বম্বে' উচ্চ ন্যায়ালয়ে হস্তক্ষেপ কৰি এই কাৰ্যক অবৈধ বুলি ঘোষণা কৰি ততাতৈয়াকৈ বুলড'জাৰ অভিযান স্থগিত ৰাখে। উল্লেখ্য যে শেহতীয়াকৈ নাগপুৰত মোগল সম্ৰাট ঔৰংজেবৰ সমাধিৰ আশেপাশে আৰম্ভ হৈছিল সাম্প্ৰদায়িক হিংসা। তাৰ পিছত উত্তপ্ত পৰিস্থিতিৰ বাবে সংঘাতৰ সূচনা হয়। বৰ্তমান পৰিস্থিতি স্বাভাৱিক হ'লেও প্ৰশাসনে এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ বুলড'জাৰেৰে ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। উচ্চতম ন্যায়ালয়ৰ ৰায় উলংঘা কৰি অবৈধ নিৰ্মাণৰ দোহাই দি কেইবাটাও ঘৰ-দোকান ভাঙি পেলোৱা হৈছে। এই ঘটনা সন্দৰ্ভত বম্বে' উচ্চ ন্যায়ালয়ত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ উদ্ধৃতি দি বুলড'জাৰ অভিযানৰ অবৈধতাৰ ওপৰত আলোকপাত কৰি এখন আবেদন দাখিল কৰা হয়। সোমবাৰে শুনানিৰ অন্তত আদালতে সকলো ধ্বংসাত্মক কাৰ্যকলাপ শীঘ্ৰে বন্ধ কৰাৰ নিৰ্দেশ দিয়াৰ লগতে প্ৰশাসনক নিজৰ ভূমিকাৰ বাবে তীব্ৰ ভৰ্ৎসনা কৰে। ন্যায়াধীশৰ কঠোৰ প্ৰশ্ন, "ঘৰৰ মালিকক কোনো জাননী নিদিয়াকৈ কিয় বুলড'জাৰ ব্যৱহাৰ কৰা হ'ল?" অভিযোগ অনুসৰি যশোধৰা নগৰ অঞ্চলৰ সঞ্জয় বাগ কলনীত হিংসাৰ অভিযোগত অভিযুক্ত দুজন লোকৰ ঘৰৰ এটা অংশ ভাঙি পেলোৱা হৈছে। ন্যায়াধীশে স্পষ্টভাৱে কয়, "কোনোবাই অপৰাধ কৰিলেও তেওঁলোকৰ ঘৰ এনেকৈ ভাঙিব নোৱাৰি। যদি আপুনি আইনী ব্যৱস্থা ল'ব বিচাৰে তেন্তে আপুনি এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব।" এই গোচৰৰ পৰৱৰ্তী শুনানি ১৫ এপ্ৰিলত অনুষ্ঠিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গাফিলতি! আৰক্ষী বিষয়াক

ৰৌতাৰ কঠালবাৰী গাঁৱৰ লালমোহন ৰায় নামৰ লোকজনক তামোল চুৰিৰ সন্দেহত হত্যা কৰা ঘটনাৰ পাছত ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত ইকৰাবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতি প্ৰাঞ্জল শৰ্মাক ৰিজাৰ্ভ ক্লজ কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতো উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰি কৰ্তব্যত গাফিলতিৰ ফলস্বৰূপে আজি এই শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে জিলা আৰক্ষী অধীক্ষক পুস্কিন জৈনে। উল্লেখ্য যে ১৩ মাৰ্চত কঠালবাৰী গাঁৱত নিশা প্ৰায় ১১ মান বজাত তামোল চোৰৰ সন্দেহত স্থানীয় কঠালবাৰী গাঁৱৰ ৩ জন লোকৰ বিৰুদ্ধে ভয়ংকৰ ভাৱে প্ৰহাৰ কৰিছিল। অতি নিৰ্মমভাৱে হাত-ভৰি বান্ধি শাৰীৰিক প্ৰহাৰ কৰিছিল লালমোহন ৰায় নামৰ লোকজনক। ঘটনাৰ পাছতেই ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ অভিযুক্ত লালমোহন ৰায়ক ৰৌতা আৰক্ষী থানালৈ লৈ গৈছিল যদিও পৰৱৰ্তী সময়ত আৰক্ষীয়ে ৰৌতা আদৰ্শ চিকিৎসালয়ত অভিযুক্ত গৰাকীক স্বাস্থ্য পৰীক্ষা কৰাত স্বাস্থ্য অধিক অৱনতি ঘটাত তেওঁক প্ৰেৰণ কৰি তেজপুৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ। কিন্তু দুৰ্ভাগ্যজনকভাৱে যোৱা ২০ মাৰ্চত জিএমচিএইছত মৃত্যুক আঁকোৱালি লৈছিল লালমোহন ৰায় নামৰ লোকজনে। এই সমগ্ৰ ঘটনাৰ পাছতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ঘটনা সন্দৰ্ভত ৰৌতা আৰক্ষী থানাত পৰিয়ালৰ লোকে দাখিল কৰা এজাহাৰৰ ভিত্তিত ৰুজু হোৱা গোচৰৰ ভিত্তিতেই ২১ মাৰ্চৰ নিশা চুৰিৰ অভিযোগত অভিযুক্ত ৰায়ক হত্যাৰ অভিযোগত ২ জনক গ্ৰেপ্তাৰ কৰিছিল। সমান্তৰালভাৱে নিহতৰ মৃতদেহক লৈ ইকৰাবাৰী আৰক্ষী চকীৰ অন্তৰ্গত কঁঠালবাৰী গাঁৱত সৃষ্টি হৈছিল ভয়ংকৰ পৰিস্থিতিৰ। লালমোহন ৰায়ৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়াত তথা কৰ্তব্যত গাফিলতিৰ অভিযোগত আৰক্ষী বিষয়া জেপি শৰ্মাক ৰিজাৰ্ভ ক্লজ কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মজুৰি বৃদ্ধিৰ দাবীৰে

নামিবলৈ সাজু হৈছে ৰাজ্যৰ কেইবালাখ চাহ শ্ৰমিক। বিজেপিয়ে ২০১৪ চনৰ পৰা শ্ৰমিকক মজুৰি বৃদ্ধিৰ নামত প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰি ৰাজপথত নামিবলৈ সাজু হৈছে। অসম চাহ মজদুৰ সংঘই আকৌ এবাৰ ৰাজ্য চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি মজুৰি বৃদ্ধিৰ দাবী জনাব। আজি ডিব্ৰুগড়ত এখন সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ নেতা তথা অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱনসিং ঘাটোৱাৰে এপ্ৰিল মাহত প্ৰতিবাদ কৰাৰ ঘোষণা কৰিছে। চাহ শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ লগতে অন্যান্য প্ৰাপ্য সুবিধাসমূহ প্ৰদানৰ দাবীত ২ আৰু ৩ এপ্ৰিলত ৰাজ্যজুৰি আন্দোলন ঘোষণা কৰিছে অসম চাহ মজদুৰ সংঘই। পৱনসিং ঘাটোৱাৰে আজি সংবাদমেলত কয় যে ২০১৭ চনতেই চাহ শ্ৰমিকৰ দৈনিক মজুৰি ৩৫১ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিছিল বিজেপিয়ে। কিন্তু চৰকাৰ গঠন কৰিও আজি পৰ্যন্ত সেই প্ৰতিশ্ৰুতি পূৰণ নকৰিলে। আজিও চাহ শ্ৰমিকৰ দৈনিক মজুৰি ব্ৰহ্মপুত্ৰ উপত্যকাত ২৫১ টকা আৰু বৰাক উপত্যকাত ২২৮ টকাতেই সীমাবদ্ধ হৈ আছে। এই মজুৰি সংগঠিত বাগিচাবিলাকৰ ক্ষেত্ৰতহে। ইয়াৰ বিপৰীতে অসংগঠিত বাগিচাৰ শ্ৰমিকসকলৰ ক্ষেত্ৰতো শ্ৰমিকৰ নূন্যতম মজুৰি প্ৰদানৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। কেৱল মজুৰিয়েই নহয় শ্ৰমিকৰ অন্যান্য সুবিধা প্ৰদানৰ ক্ষেত্ৰতো ব্যৰ্থ হৈছে। ঘাটোৱাৰে আৰু কয় যে চৰকাৰে গঠন কৰি দিয়া নূন্যতম মজুৰি বোৰ্ডে শ্ৰমিকৰ প্ৰাপ্য মজুৰি প্ৰদান কৰিব পৰা নাই। সংগঠিত আৰু অসংগঠিত দুয়োটা ক্ষেত্ৰতে জড়িত হৈ থকা প্ৰায় ৫ লাখ শ্ৰমিকে আজি প্ৰাপ্য মজুৰি তথা অন্যান্য সা-সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে। কেৱল মজুৰিয়েই নহয় চাহ শ্ৰমিকৰ শিক্ষা, স্বাস্থ্য সকলো ক্ষেত্ৰতে উপযুক্ত সুবিধা প্ৰদানত ব্যৰ্থ হৈছে বিজেপি চৰকাৰ। পৱনসিং ঘাটোৱাৰে বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি আৰু কয় যে চাহ শ্ৰমিকসকলক এককালীন আৰ্থিক সাহায্য প্ৰদানৰ চৰকাৰৰ শেহতীয়া ঘোষণাৰ ক্ষেত্ৰতো অসন্তুষ্টি প্ৰকাশ কৰি তেওঁ কয় যে অসমত বসবাস কৰা প্ৰায় ১৬/১৭ লাখ শ্ৰমিকৰ বিপৰীতে ৫/৬ লাখ শ্ৰমিকক আৰ্থিক সাহায্য দিয়াটো কেতিয়াও সমীচিন নহয়। আনহাতে অসমৰ চাহ বাগিচাসমূহ বিক্ৰী হোৱা সন্দৰ্ভত তেওঁ ক্ষোভ প্ৰকাশ কৰি কয় যে আজিকালি চবজি বিক্ৰী হোৱাদি বাগিচা বিক্ৰী হ'বলৈ ধৰিছে। কোনে কিনিছে, কেনেকৈ কিনিছে তাৰ কোনো নিয়ম নোহোৱা হৈছে। বাগিচা এখন বিক্ৰী কৰাৰ আগতে শ্ৰমিকসকলৰ দেনা-পাওনা তথা তেওঁলোকৰ প্ৰতি থকা দায়বদ্ধতাৰ বিষয়ে আলোচনা কৰা উচিত। তাৰ বিপৰীতে বেপাৰীৰ হাতত বাগিচা বিক্ৰী কৰাৰ বাবে বাগিচাসমূহ ভালদৰে চলাব পৰা নাই। বাগিচা বেপাৰীৰ হাতত নহয় বাগিচা চাহ খেতিয়কৰ হাততহে বিক্ৰী কৰিব লাগে। চৰকাৰী বাগিচাসমূহৰ ক্ষেত্ৰতো তেওঁ কয় যে চৰকাৰৰ এনে ধাৰণা যে বাগিচাৰ লোকচান হৈছে। বিক্ৰী কৰিব লাগে। কিন্তু কোনোবা আলু বেপাৰী, দাইল বেপাৰীয়ে বাগিচা কিনিলে তেওঁলোকে ভালকৈ বাগিচা চলাব পাৰিব নেকি বুলি ক্ষোভ প্ৰকাশ কৰে সভাপতিগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঐতিহাসিক শিৱসাগৰত

সমাৱেশত স্তব্ধ হৈ পৰে শিৱসাগৰ নগৰ। টাই আহোম জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদানৰ দাবীত উজনি অসমৰ বিভিন্ন জিলাৰ পৰা প্ৰায় দহ হাজাৰ লোক সমৱেত হৈ কঁপাই তোলে ঐতিহাসিক ৰংপুৰ। অসমৰ বিভিন্ন জিলাৰ পৰা অহা প্ৰায় দহ সহস্ৰাধিকৰো অধিক আহোম জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰা এই গণ সমাবেশখন যুগ্মভাৱে পৰিচালনা কৰে আটাছুৰ যুটীয়া সম্পাদক দিগন্ত চাংমাই আৰু অচ্যুত বৰগোহাঁয়ে। এই গণ সমাবেশত ভাষণ দি আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে কয় যে টাই আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দি আমাৰ ভোটেৰে দুবাৰকৈ অসমৰ ক্ষমতা দখল কৰা বিজেপি চৰকাৰখনে আমাক চৰম প্ৰতাৰণা কৰিছে। সমষ্টি পুনৰ্নিৰ্ধাৰণৰ নামত আহোম বসতিপ্ৰধান সমষ্টি কৰ্তন কৰি আমাক ৰাজনৈতিকভাৱে ধ্বংস কৰাৰ লগতে আৰ্থিকভাৱে ৰাজহাড় ভাঙি দিয়া বিজেপি চৰকাৰৰ প্ৰতাৰণা আমি শেহতীয়াকৈ উপলব্ধি কৰিছোঁ বুলি তেওঁ উল্লেখ কৰে। ৬০০ বছৰ অসমত ৰাজনৈতিক নেতৃত্ব দিয়া প্ৰবলপ্ৰতাপী আহোম জনগোষ্ঠীয়ে আজি অধিকাৰৰ বাবে ভিক্ষাৰ পাত্ৰ লৈ অত্যন্ত ক্ষোভেৰে ৰাজপথলৈ ওলাই আহিছে। লগতে তেওঁ কয় যে স্বদেশ আৰু স্বজাতিৰ বাবে সৰ্বোচ্চ ত্যাগ উদাৰ ধৰ্মনিৰপেক্ষ স্বৰ্গদেউসকলে তাহানিতেই সকলো ভূমিপুত্ৰৰ সমবিকাশ আৰু সমমৰ্যদাৰে অসমীয়া মহাজাতি গঠন কৰিছিল। দেশৰ বৰ্তমানৰ সংবিধানে সকলো জাতি-জনগোষ্ঠীক সমবিকাশ আৰু সমমৰ্যাদা প্ৰদান কৰিছে। সৰ্বস্তৰতে আমাক প্ৰতাৰণা কৰা এই চৰকাৰে খিলঞ্জীয়াক ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰি হাজাৰ হাজাৰ বিঘা মাটি বহিৰাগত বণিয়া গোষ্ঠীক বিক্ৰী কৰিছে বুলি সভাপতি বসন্ত গগৈয়ে ক্ষোভ উজাৰে। মহামতি চাওলুং চুকাফাই নিজস্ব কৃষ্টি বিসৰ্জন দি সকলো ভুমি পুত্ৰক একত্ৰিত কৰি সকলোকে সম-অধিকাৰ প্ৰদানেৰে অসমীয়া মহাজাতি গঠন কৰাৰ দৰেই মহাবীৰ লাচিত বৰফুকনে অসমৰ স্বাধীনতা আৰু অখণ্ডতা ৰক্ষা কৰাৰ কথা বিজেপি চৰকাৰে পাহৰি গৈছে বুলি গগৈয়ে কটাক্ষ কৰে। বাহ্যিক দৃষ্টিৰে আহোমৰ উন্নয়ন আৰু বিকাশৰ কথা কৈ লাচিত বৰফুকনক ৰাষ্ট্ৰীয় মৰ্যাদা এইখন চৰকাৰে প্ৰদান কৰিছে যদিও তাৰ বিপৰীতে আহোমক জনজাতিকৰণৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰি আমাক আৰ্থ-সামাজিক আৰু ৰাজনৈতিকভাৱে ধ্বংস কৰিবলৈও গোপন ষড়যন্ত্ৰ কৰিছে এইখন বিজেপি চৰকাৰে। আমাৰ এই সংগ্ৰাম আহোমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। কোনো জাতি-জনগোষ্ঠীৰ বিৰুদ্ধে আমাৰ সংগ্ৰাম চলা নাই। আহোমে সদায় সাম্প্ৰদায়িক, বিভেদকামী আৰু বিচ্ছিন্নতাবাদী শক্তিৰ আমি সদায় বিৰোধিতা কৰি সমন্বয় আৰু সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰি আহিছে। লাচিত বৰফুকন, মুলা গাভৰু, মহাসতী জয়মতীৰ আত্মত্যাগৰ আদৰ্শেৰে আমি আমি সাংবিধানিকভাৱে প্ৰাপ্য অধিকাৰ বিচাৰি ৰাজপথলৈ ওলাই আহিছো। চৰকাৰৰ ভুৱা প্ৰতিশ্ৰুতি, ভুল নীতি আৰু প্ৰতাৰণাৰ বিৰুদ্ধে আহোমৰ ৰাজধানী ঐতিহাসিক শিৱসাগৰত আজি সহস্ৰাধিক টাই আহোম সমৱেত হৈছে। সমাজবাদ আৰু সাম্যবাদত বিশ্বাসী পৰাক্ৰমী আহোমৰ ধৈৰ্যশক্তিৰ পৰীক্ষা বিজেপিয়ে নোলোৱাই ভাল। আজিৰ এই গণ সমাবেশৰ পৰাই আমি বিজেপি চৰকাৰক শেষ সকীয়নি প্ৰদান কৰিছোঁ। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপি চৰকাৰে টাই আহোমক জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদান কৰিবই লাগিব। অন্যথা আহোমক কৰা এই প্ৰতাৰণাৰ উপযুক্ত প্ৰত্যুত্তৰ দিবলৈ ৫৫ লাখ আহোম সাজু হৈ আছে বুলি বসন্ত গগৈয়ে সকীয়াই দিয়ে। এই গণ সমাবেশত আটাছুৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক অৰুণ গগৈ, মুখ্য উপদেষ্টা দুলাল বৰুৱাকে ধৰি আটাছুৰ কেইবাগৰাকীও নেতাই সভাত ভাষণ দি টাই আহোমক কৰা প্ৰতাৰণাৰ বাবে শাসনাধিষ্ঠিত বিজেপি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। এই গণ সমাবেশৰ পাছত বিয়লি আটাছুৰ নেতৃত্বত শিৱসাগৰত বৃহৎ প্ৰতিবাদী শোভাযাত্ৰা বাহিৰ কৰা হয়। প্ৰতিবাদকাৰীসকলে টাই আহোমক জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদান কৰক, ন এছ টি , ন ৰেষ্ট, আহোমক প্ৰাপ্য অধিকাৰ প্ৰদান কৰক, প্ৰতাৰক বিজেপি চৰকাৰ হুঁচিয়াৰ শীৰ্ষক বহু চৰকাৰবিৰোধী শ্লোগানেৰে ৰাজপথ উত্তাল কৰি তোলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিকক আটকৰ গৰিহণা

বাৰে আক্ৰমণ চলাই আহিছে। আজি ক্ৰছ কাৰেণ্ট নামৰ নিউজ পৰ্টেলটোৰ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক যি প্ৰক্ৰিয়াৰে মুখ বন্ধ কৰাৰ প্ৰক্ৰিয়া চলাইছে সেয়া গণতন্ত্ৰৰ প্ৰতি ডাঙৰ প্ৰত্যাহ্বান। এপেক্স বেংকৰ দুৰ্নীতি বন্ধ কৰাৰ বাবে এটা সংগঠনে বেংকটোৰ সন্মুখত ধৰ্ণা দি থকাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱাৰ সময়ত বেংকটোৰ পৰিচালন সঞ্চালকগৰাকী সোমাই অহাত সাংবাদিক দিলোৱাৰ হুছেইনে এটা প্ৰশ্ন সোধাৰ বাবেই সাংবাদিকজনক ওপৰলৈ মাতি নি আৰক্ষীক খবৰ দি আটক কৰাৰ যি ঘটনা ঘটিছে এয়া অত্যন্ত গৰিহণাৰ যোগ্য। ভাৰতীয় গণতন্ত্ৰৰ এয়া এক ক'লা অধ্যায় বুলি ক'ব লাগিব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে চৰকাৰখনে সত্য বাতৰিলৈ ভয় কৰিছে। মুখ্যমন্ত্ৰী নিয়ন্ত্ৰণাধীন অসম কো-আপাৰেটিভ বেংক এটা জাতীয় সম্পদ। এই জাতীয় সম্পদটো সমৃদ্ধিশালী কৰি ৰখা আৰু ইয়াৰ গৰিমা অটুট ৰখাৰ স্বাৰ্থত বিৰোধী দল আৰু অন্যান্য সংগঠনৰ লগতে সংবাদমাধ্যমৰ দায়িত্ব আছে। এই দায়িত্ব পালন কৰিবলৈ যোৱা এজন সাংবাদিকক বেংকটোৰ কৰ্তৃপক্ষই আৰক্ষীৰ হাতত যি কৌশলেৰে গতাই দিছে সেয়া নিন্দনীয়। আৰু এনে কাৰ্যক গৰিহণা দিছো। সত্যৰ মুখামুখি হ'বলৈ সাহস নকৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ওপৰত যি আক্ৰমণ চলাইছে সেই আক্ৰমণৰ ঘটনা যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে কংগ্ৰেছ সদা সতৰ্ক দৃষ্টি ৰাখিব। এই বিষয়টো অত্যন্ত গুৰুত্বসহকাৰে লৈ কংগ্ৰেছে পৰৱৰ্তী সময়ত জনবিৰোধী এই চৰকাৰী কাম-কাজবোৰ বন্ধ কৰিবলৈ জনসজাগতা আৰম্ভ কৰিব। বৰাই লগতে নিৰ্দোষী সাংবাদিকজনক বিনাচৰ্তে মুকলি কৰি দিবলৈও আহ্বান জনাইছে। আনহাতে, বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সাংবাদিকক আটক কৰা ঘটনাক নিন্দা কৰিছে। শইকীয়াই কয় যে দুৰ্নীতিৰ বিৰুদ্ধে বাতৰি কৰাটো অপৰাধ নেকি? এপেক্স বেংকৰ অভ্যন্তৰত সংঘটিত দুৰ্নীতি-অনিয়ম সন্দৰ্ভত প্ৰশ্ন কৰাৰ বাবেই জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক ঘণ্টাৰ পাছত ঘণ্টা থানাত বহুৱাই ৰখা হ'ল। তেওঁৰ অপৰাধ এটাই, বেংকটোৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াৰ সাক্ষাৎকাৰ বিচাৰি তেওঁ বেংকত উপস্থিত হৈছিল। কিন্তু বেংক কৰ্তৃপক্ষই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ সলনি আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে সংবাদিকগৰাকীক আটক কৰি নি পাণবজাৰ থানাত বহুৱাই থৈ দিয়ে। ৰজাঘৰীয়াৰ এই কাৰ্যক আমি নিন্দা কৰিছোঁ। এনে কাৰ্য যাতে চৰকাৰে দুনাই সংঘটিত নকৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'বিধানসভাৰ গৰিমা ম্লান পৰিছে'

ম্লান হৈ যোৱা বুলি আশংকা কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। শেহতীয়া কেইবাটাও দিনত ৰূপজ্যোতি কুৰ্মীয়ে বিৰোধী বিধায়কক প্ৰহাৰ কৰিবলৈ খেদি যোৱা, কংগ্ৰেছৰ বিধায়কে উপাধ্যক্ষক প্ৰহাৰৰ অভিযোগ আৰু মুখ্যমন্ত্ৰীয়ে ধৰ্ম, জাতিৰ প্ৰসংগ উল্লেখ কৰাৰ প্ৰসংগ উল্লেখ কৰি আজি অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই অসম বিধানসভাৰ গৰিমা আৰু মহত্ব ম্লান পৰাৰ আশংকা কৰিছে। সদনৰ যিজন নেতা তেওঁ মুছলমান নে জনগোষ্ঠীয় এইবিলাক কথা কোৱা হৈছে। অসম বিধানসভাত মুছলমান-হিন্দু এনে কথা-বতৰাবিলাক আমি আগতে শুনা নাছিলো। সদনৰ নেতাজনে সদায় সকলো জনগোষ্ঠীৰ প্ৰতি সমভাব প্ৰকাশ কৰি শপত লৈ মুখ্যমন্ত্ৰী হয়। বিষয়টো আছিল শাসকীয় বিধায়কে মাৰিবলৈ খেদি যোৱাৰ। তাৰ বিৰুদ্ধে প্ৰতিবাদ চলিছিল। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত কলা পোছাক পৰিধান কৰি কংগ্ৰেছৰ বিধায়কসকলে প্ৰতিবাদ কৰিছিল। আমাৰ সকলো বিধায়কৰ লগতে নুৰুল হুদায়ো প্ৰতিবাদ কৰিছিল। হুদাই কৈছে তেওঁ কাকো আক্ৰমণ কৰা নাই। কোৱানক ধৰি আক্ৰমণ কৰা নাই বুলি কৈছে। তথাপি গোচৰ ৰুজু কৰা হৈছে। বিধানসভাৰ এটা বিষয় থানাত এজাহাৰ দিয়া প্ৰথম দেখিছো। কংগ্ৰেছৰ আইনী কোষৰ অধ্যক্ষ মনোজ ভাগৱতীয়ে কয় যে ডাঃ নোমল মমিনে হঠাতে কৈছে যে তেওঁ হাতত দুখ পাইছে। তেওঁ নাজানে ক'ত দুখ পাইছে। তেওঁ ঘৰতো দুখ পাই আহিব পাৰে। এই ঘটনা পৰিকল্পিত আছিল। মুছলমান সম্প্ৰদায়, কাৰ্বি সম্প্ৰদায়ৰ কথা কোৱা হৈছে। এই কথাবোৰ ভাল লগা নাই। নুৰুল হুদাক টাৰ্গেট কৰিলে। কোনো প্ৰমাণ নাই। এয়া ডাঙৰ ষড়যন্ত্ৰ। বিষয়টো অন্য দিশে ঢাল খুৱাবলৈ কৰা হৈছিল। কংগ্ৰেছৰ পোষ্টাৰ লৈ আহিছিল। ইউডিএফে জেওৱা লৈ আহিছিল। দোষী প্ৰমাণিত নোহোৱাত টাৰ্গেট কৰিছিল নুৰুল হুদাক। মুছলমান এজন লোকক টাৰ্গেট কৰি লোৱা হৈছিল। এয়া উচিত নাছিল। আমি নিন্দা কৰিছো। মুখ্যমন্ত্ৰীয়ে সদনত ন্যায়ালয়ৰ ৰায়ক সমালোচনা কৰিব পাৰো বুলি কৈছিল। বহু কথা আমাৰ দৃষ্টিগোচৰ হৈছে হৈছে বুলিও কয় মনোজ ভাগৱতীয়ে।

# সদনৰ পৰা বহিষ্কৃত বিধায়ক শ্বেৰমান আলী

ই-সংবাদ, গুৱাহাটী, ২৫ মাৰ্চঃ শেষ দিনটোত উপাধ্যক্ষ ডাঃ নোমল মমিনে বাঘবৰৰ বিধায়ক শ্বেৰমান আলীক সদনৰ পৰা বহিষ্কাৰ কৰে। শ্বেৰমান আলীয়ে ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা শিক্ষকে কাৰাগাৰত থাকিও দৰমহা পোৱাৰ বিষয় উত্থাপন কৰি সদনৰ পৰা বহিষ্কাৰ হ'বলগীয়া হয়। উপাধ্যক্ষ শ্বেৰমান আলীক বাধা দিয়াৰ পিছতো শিক্ষকজনে দৰমহা কেনেকৈ পালে সেই বিষয়টো উত্থাপন কৰিব খোজাত উপাধ্যক্ষই সদনৰ পৰা বহিষ্কাৰ কৰে। এদিন পূৰ্বে কংগ্ৰেছী বিধায়ক নুৰুল হুদাৰ প্ৰহাৰ আঘাতপ্ৰাপ্ত হোৱা বুলি অভিযোগ উত্থাপিত হাতখন জোকাৰি জোকাৰি বহিষ্কাৰৰ নিৰ্দেশ দিয়ে। শ্বেৰমান আলীয়ে যেতিয়া কথা ৰাখিব খুজিছিল তেতিয়া উপাধ্যক্ষই বহিষ্কাৰ কৰাৰ ধমক দিয়ে। কিন্তু যেতিয়া শ্বেৰমানে উপাধ্যক্ষৰ কথা নুশুনি নিজৰ বক্তব্য ৰাখিবলৈ প্ৰয়াস কৰে তেতিয়া অধ্যক্ষৰ চকীক প্ৰত্যাহ্বান কৰিছে বুলি কয় উপাধ্যক্ষ মমিনে। তাৰ লগে লগে সদনৰ পৰি বহিষ্কাৰ ঘোষণা কৰাত মাৰ্চেলে শ্বেৰমানক বহিষ্কাৰ কৰে। শিক্ষামন্ত্ৰীয়ে বক্তব্য ৰাখিবলৈ আৰম্ভ কৰিছিল। তেতিয়াই মাজত থিয় দিছিল শ্বেৰমান। সেই সময়তে বহিষ্কাৰ কৰাত উপাধ্যক্ষক উদ্দেশ্যে শ্বেৰমানে কয় "নিজৰ সন্মান নিজে ৰাখিব লাগে। আপোনাৰ চকীখনৰ প্ৰতি সন্মান আছে। আপুনি ধমক নিদিব। আমি আপোনাৰ ছাত্ৰ নহয়। আপুনি শিক্ষানুষ্ঠানৰ অধ্যক্ষ নহয়।" শ্বেৰমান আলীয়ে কৈছিল যে মহিৰুদ্দিন আহমেদ নামৰ শিক্ষকজনৰ বিৰুদ্ধে ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগক গ্ৰেপ্তাৰ হৈ এমাহ জেল খাটিলে। জেল খাটাৰ ৯ মাহ পিছলৈ চাকৰিৰ পৰা নিলম্বনেই কৰা নাই। জেলত থকাৰ সময়ত দৰমহা পায়। মই যেতিয়া ৯ মাহ পিছত প্ৰশ্ন কৰিলো তেতিয়া তেওঁক নিলম্বন কৰা হয়। আকৌ পুনৰ চাকৰি বাহাল কৰিলে। এইবাৰ প্ৰশ্ন কৰা ডিপি ড্ৰ কৰিছে। শিক্ষা বিষয়া নাৰায়ণ কোঁৱৰ নিলম্বন হ'ব লাগে। এই কথাবোৰ কওঁতে উপাধ্যক্ষই মোক সুযোগ দিব লাগিছিল। তেওঁৰ আমাৰ প্ৰতি নিম্ন ব্যৱহাৰ কৰে, আমি বিধায়ক নহয় যেন জেলৰ কয়দী। আমি গৰু-ছাগলী। অধ্যক্ষ ডাঙৰীয়াই এই উপাধ্যক্ষক চকীৰ পৰা আঁতৰাওক। চকীত বহাৰ যোগ্য নহয়। তেওঁ নিজকে ৰজা বুলি ভাবি থাকে। তেওঁ এজন এমএলএ। ব্যৱহাৰ ৰূঢ়। গৰিহণা দিছো। গৰিহণা পায়ো লাজ নাই মানুহজনৰ। আঁচলতে হোপলেছ হয় তেওঁ।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিৰ প্ৰশ্ন কৰা মিডিয়াক টেঁটু চেপা

সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক ষড়যন্ত্ৰমূলকভাৱে গ্ৰেপ্তাৰ কৰাৰ ঘটনাই ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দিনৰ দিনটো বহুৱাই নিশা প্ৰায় ১১ বজাত সাংবাদিকজনক গ্ৰেপ্তাৰ কৰা হয়। পাণবজাৰ আৰক্ষী থানাত ১১০/২৫ নম্বৰত এক গোচৰ ৰুজু কৰা বুলি জানিব পৰা গৈছে। ক্ৰছ কাৰেণ্ট নামৰ সংবাদ প্ৰতিষ্ঠানটোত কৰ্মৰত দিলোৱাৰ হুছেইন মজুমদাৰক পাণবজাৰ আৰক্ষী থানাত বন্দী কৰা হৈছে। প্ৰতিবাদৰ সময়তে বেংকটোৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াক কেলেংকাৰী সন্দৰ্ভত প্ৰশ্ন কৰিবলৈ যোৱাত শইকীয়াই সাংবাদিকজনক প্ৰশ্নৰ দিয়াৰ পৰিৱৰ্তে আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে পাণবজাৰ আৰক্ষী থানালৈ নি বহুৱাই ৰখাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, নিশা ৯ বজালৈকে আৰক্ষী থানাত বহুৱাই ৰাখিছে সাংবাদিকজনক। সাংবাদিকজনক দুপৰীয়াৰ পৰা কোনো লোকক সাক্ষাৎ কৰিব নিদিয়াৰ লগতে কি কাৰণত থানালৈ নিয়া হৈছে সেই কথা পৰিয়াল তথা সংবাদ প্ৰতিষ্ঠানক অৱগত কৰা নাই গুৱাহাটী আৰক্ষীয়ে। এপেক্স বেংকৰ সন্মুখত প্ৰতিবাদৰ সময়তে বেংকটোত সংঘটিত কেলেংকাৰী সন্দৰ্ভত বেংকটোৰ পৰিচালন সঞ্চালকক প্ৰশ্ন কৰাত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা বুলি কয় তেওঁ কাম কৰা প্ৰতিষ্ঠানটোৱে। পাণবজাৰ আৰক্ষীয়ে সাংবাদিক মজুমদাৰক থানালৈ নি কেইবা ঘণ্টা ধৰি বহুৱাই ৰখাৰ ফলত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ডিঙি চেপা দিয়াৰ অভিযোগ উত্থাপন কৰিছে কেইবাটাও দল-সংগঠনে। গুৱাহাটী প্ৰেছ ক্লাবে ঘটনাটোত উদ্বেগ প্ৰকাশ কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামী আৰু সম্পাদক সঞ্জয় ৰায়ে বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰি সোনকালে মজুমদাৰক মুকলি কৰি দিবলৈ আহ্বান জনাইছে। দৰাচলতে এপেক্স বেংকৰ ভিতৰচোৰাত সংঘটিত হৈ থকা অনিয়ম-কেলেংকাৰীৰ তদন্তৰ দাবীত পাণবজাৰস্থিত বেংকটোৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদৰ সময়ত এপেক্স বেংক কৰ্তৃপক্ষৰ মতামত ল'বলৈ বেংক পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াৰ সাক্ষাৎকাৰ বিচাৰি বেংকত উপস্থিত হৈছিল জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰ। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ সলনি বেংক কৰ্তৃপক্ষই পাণবজাৰ আৰক্ষীক খবৰ দিয়ে। লগে লগে আৰক্ষীয়ে গুৱাহাটী বাতৰি সংগ্ৰহৰ বাবে বেংকত উপস্থিত হোৱা সাংবাদিক দিলোৱাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। পাণবজাৰ থানাত বহুৱাই থৈছে সাংবাদিকগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছে নেকি সেই কথা নিশা প্ৰায় ১১ বজালৈ আৰক্ষীয়ে অৱগত কৰা নাছিল। আনহাতে সাংবাদিকগৰাকীক এনেদৰে আটক কৰা কাৰ্যত সকলোৱে একেমুখে ধিক্কাৰ দিয়াৰ লগতে কৰ্তব্য সম্পাদনত বাধা দি সংবাদ মাধ্যমৰ কণ্ঠৰুদ্ধ কৰিবলৈ বিচৰা ৰজাঘৰীয়াৰ এনে প্ৰচেষ্টাক নিন্দা কৰিছে ৰাজ্যৰ দল-সংগঠনে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে গ্ৰেপ্তাৰ কৰা সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক মুকলি কৰি দিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাই ফেচবুকত এটা পোষ্ট দিছে। দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। বেদব্ৰত বৰাই কয় যে আজি অসম কো অপাৰেটিভ এপেক্স বেংকত অসম জাতীয় পৰিষদৰ জাতীয় যুৱ বাহিনীৰ প্ৰতিবাদ কাৰ্যসূচীৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক, জ্যেষ্ঠ সাংবাদিক দিলৱাৰ হুছেইন মজুমদাৰক পাণবজাৰ থানালৈ ফোনযোগে মাতি নি আৱদ্ধ কৰি ৰাখে। বৰ্তমানলৈ তেওঁৰ অপৰাধ কি জানিব পৰা হোৱা নাই। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক গ্ৰেপ্তাৰ কৰা কাণ্ডক তীব্ৰ গৰিহণা দিয়ে। লুৰীণজ্যোতি গগৈয়ে কয় যে জ্যেষ্ঠ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰে সাংবাদিকৰ ধৰ্ম পালন কৰি এপেক্স বেংক কৰ্তৃপক্ষৰ মতামত ল'বলৈ বেংকৰ পৰিচালন সঞ্চালক ডম্বৰু শইকীয়াৰ সাক্ষাৎকাৰ বিচাৰি বেংকত উপস্থিত হৈছিল। কিন্তু বেংক কৰ্তৃপক্ষই সাংবাদিকৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ সলনি আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে সাংবাদিকগৰাকীক আটক কৰি নি পাণবজাৰ থানাত বহুৱাই থৈছে। কৰ্তব্যৰত সাংবাদিকক এনেদৰে কৰ্তব্য সম্পাদনত বাধা দি সংবাদ মাধ্যমৰ কণ্ঠৰুদ্ধ কৰিবলৈ বিচৰা ৰজাঘৰীয়াৰ এনে প্ৰচেষ্টাক আমি নিন্দা কৰিছো। এপেক্স বেংকৰ দুৰ্নীতিৰ তদন্ত বিচাৰিলে ৰজাঘৰ ইমান অসহিষ্ণু হৈ উঠে কিয়? সাংবাদিকক নিজৰ কৰ্তব্য সম্পাদনত ৰজাঘৰে বাধা দিয়ে কিয়? আমি দিলোৱাৰ হুছেইন মজুমদাৰক শীঘ্ৰেই মুকলি কৰি দিবলৈ দাবী জনাইছোঁ। এনে স্বেচ্ছাচাৰিতা অসমত নচলিব। মুখ্যমন্ত্ৰী তথা ৰাজ্যৰ গৃহমন্ত্ৰীগৰাকীক সকীয়াই দিছো। কংগ্ৰেছ নেতা ৰাতুল কলিতাই সাংবাদিকক আৰক্ষী থানাত নি বহুৱাই থোৱা ঘটনাক তীব্ৰ নিন্দা কৰে। কলিতাই ফেচবুক পোষ্টযোগে কয় যে এপেক্স বেংকত সংঘটিত অনিয়মৰ বাতৰি সংগ্ৰহ কৰিব যোৱা অপৰাধত সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক পাণবজাৰ আৰক্ষীয়ে তলব কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছো। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ বাকৰুদ্ধ কৰিবলৈ চেষ্টা কৰা আৰু সাংবাদিকক কৰ্তব্য সম্পাদনা কৰা বাধা দিয়া ঘটনা অতি দুৰ্ভাগ্যজনক। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে জানি থোৱা ভাল যে এনে স্বৈৰাচাৰিতা কৰি সত্য কোনোদিনে লুকুৱাই ৰাখিব নোৱাৰে। আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে সাংবাদিকক আটক কৰা ঘটনাক গৰিহণা দিছে। সমীৰণ ফুকনে কয় যে সংবাদ সংগ্ৰহ কৰিবলৈ যোৱা জ্যেষ্ঠ সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰক আক্ৰোশমূলক ভাৱে আটক কৰা ঘটনা গৰিহণাৰ যোগ্য। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতিনিধিৰ প্ৰতি এই অন্যায় দুৰ্ভাগ্যজনক। তেখেতৰ মুক্তিৰ দাবী জনালো বুলিও কয় সমীৰণ ফুকনে।

# ৰঙিয়াত সাতসৰীৰ উদ্যোগত সাদিনীয়া বিহু কৰ্মশালা সম্পন্ন

**ই-সংবাদ, ৰঙিয়া, ২৫ মাৰ্চঃ** ৰঙিয়াৰ তিনিআলিস্থিত শিক্ষক শিক্ষা প্ৰতিষ্ঠানৰ বাকৰিত সাতসৰীৰ উদ্যোগত প্ৰথমবাৰৰ বাবে সাদিনীয়াকৈ আয়োজিত সাতসৰী-২০২৫ শীৰ্ষক বিহু নৃত্য আৰু বাদ্য কৰ্মশালাৰ কালি সন্ধিয়া সামৰণি পৰে। তদুপলক্ষে আয়োজিত কৰ্মশালাৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰে স্থানীয় বিধায়ক ভবেশ কলিতাই। ৰঙিয়াৰ ভিন্ন প্ৰান্তৰ পৰা কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ বিতৰণ কৰি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে বিধায়কগৰাকীয়ে। আয়োজক সমিতিৰ



সম্পাদিকা নয়নিকা শৰ্মাই আঁত ধৰা সামৰণি অনুষ্ঠানত শিল্পী পেন্সনাৰ নৰেন্দ্ৰ শৰ্মাৰ লগতে মুখ্য প্ৰশিক্ষক ৰাজু বেজবৰুৱা, ব্ৰজেন টেৰণ, জিৎ হালৈ, অৱন্তিকা বৰুৱা প্ৰমুখ্যে প্ৰশিক্ষকবৃন্দ উপস্থিত থাকে।

# অভয়াপুৰীত চোৰাং কাঠ জব্দ

**ই-সংবাদ, অভয়াপুৰী, ২৫ মাৰ্চঃ** বঙাইগাঁও আই সংমণ্ডল তথা অভয়াপুৰী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনস্থ সিদলসতী কৈমাৰীত বনকৰ্মীয়ে আজি চোৰাং কাঠসহ বাহন এখন জব্দ কৰে। জানিব পৰামতে, গোৱালপাৰা দিশৰপৰা বৰপেটা অভিমুখী ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বাহন এখনত চোৰাং কাঠ কঢ়িয়াই নি আছিল। এই বিষয়ে অভয়াপুৰী বন বিষয়াৰ কাৰ্যালয়ে বিশেষ সূত্ৰে জানিব পাৰি বাহনখনক অনুসৰণ কৰে আৰু উত্তৰ শালমাৰাৰ নিকটৱৰ্তী সিদলসতী-কৈমাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰপৰা এ এছ ২৬-২২০৭ নম্বৰৰ বাহনসহ বৃহৎ পৰিমাণৰ শালকাঠ জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত কাঠখিনিৰ মূল্য আঢ়ৈ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

# মাজুলীত হিতাধিকাৰী নিৰ্বাচনত অবাধ হস্তক্ষেপ শাসকীয় নেতা-পালিনেতাৰ

## বিজেপি নেতাৰ মতেহে হৈছে চৰকাৰী গৃহৰ জিঅ' ট্ৰেকিং, জিলা আয়ুক্তক অভিযোগ

**ই-সংবাদ, মধ্য মাজুলী, ২৫ মাৰ্চঃ** ধাৰৰ বোজাত ৰাজ্য কোঙা হ'লেও এতিয়া আগন্তুক পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনক লৈ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ইখনৰ পিছত সিখন হিতাধিকাৰী আঁচনিৰ পোহাৰ মেলা পৰিলক্ষিত হৈছে। সেই অনুসৰি চৰকাৰৰ অন্যতম আঁচনি দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকলক প্ৰধানমন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ প্ৰদানৰ বাবে হিতাধিকাৰী নিৰ্বাচনৰ কাম অব্যাহত ৰাখিছে। শাসকীয় দলটোৱে চৰকাৰী বিভাগৰ পৰিৱৰ্তে পঞ্চায়ত ভিত্তিত বিজেপিৰ বুথ সমিতিসমূহৰ দ্বাৰা চৰকাৰী গৃহৰ জিঅ' ট্ৰেকিংৰ কাম অব্যাহত ৰখাত এতিয়া প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ হিতাধিকাৰী নিৰ্বাচনৰ সমগ্ৰ প্ৰক্ৰিয়াত বেমেজালিৰ সৃষ্টি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। শাসকীয় দলৰ হ'লেহে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ, অৰুণোদয় আঁচনি পাব বুলি বুথ সভাপতিসকলে এতিয়া একপ্ৰকাৰে গাঁওসমূহত প্ৰচাৰ চলোৱাৰ অভিযোগ উঠিছে। সেই অনুসৰি আৱাস যোজনাৰ ঘৰৰ বাবে একাংশ জীৱীকা সখীৰ দ্বাৰা জিঅ' ট্ৰেকিং কৰাৰ প্ৰক্ৰিয়াতো শাসকীয় দলটোৰ একাংশ নেতা-পালিনেতাই হস্তক্ষেপ কৰাৰ ফলত এতিয়া ক্ষোভিত হৈ পৰিছে একাংশ প্ৰকৃত হিতাধিকাৰী। আজি ৰঙাচাহী পঞ্চায়তৰ অন্তৰ্গত জোৰবিল মিছিং গাঁৱৰ ৯ নং ৱাৰ্ডত জীৱীকা সখীয়ে দৰিদ্ৰ গৃহৰ জিঅ' ট্ৰেকিং কৰি থকাৰ অৱস্থাতে হঠাৎ শাসকীয় দলৰ নেতাৰ নিৰ্দেশত জিঅ' ট্ৰেকিং বন্ধ কৰাক লৈ আজি গাঁওখনত এক হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। কাইলৈ জিঅ' ট্ৰেকিংৰ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত গাঁওখনৰ যোগ্য হিতাধিকাৰী বঞ্চিত হ'বলগীয়া হোৱাৰ আশংকাত আজি মাজুলীৰ জিলা আয়ুক্তক সাক্ষাৎ কৰি গাঁওখনৰ ৰাইজে অভিযোগ দাখিল কৰে। গাঁওখনৰ ৰাইজে কোৱা অনুসৰি জীৱীকা সখীয়ে এজন দিবাংগ ব্যক্তিৰ ঘৰত জিঅ' ট্ৰেকিং কৰি থাকোতেই শাসকীয় দলৰ দ্বীজেন পাদুন নামৰ এগৰাকী লোকে ফোন কৰি জিঅ' ট্ৰেকিং বন্ধ কৰি দিয়ে বুলি অভিযোগ কৰে। গাঁওবাসীয়ে গাঁওখনৰ যোগ্য হিতাধিকাৰীসকল যাতে জিঅ' ট্ৰেকিংৰপৰা বঞ্চিত নহয় তাৰবাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তৰ হস্তক্ষেপৰ দাবী তোলে। ইফালে, এতিয়া চৰকাৰী যন্ত্ৰকে বিশ্বাসত নলৈ এনেদৰে চৰকাৰী আঁচনিৰ হিতাধিকাৰী নিৰ্বাচনত দলীয় কৰ্মীক নিয়োগ কৰাই এতিয়া শাসকীয় দলটো কোনোবাখিনিত কিবা কাৰণত সন্দিহান নেকি বুলিও এতিয়া চৰ্চা চলিছে। সমগ্ৰ ঘটনাৰ সঠিক তদন্তৰ দাবী জনাইছে সচেতন লোকে।

# কলগাছিয়াৰ লাংলা বি বি কলেজত প্ৰতিষ্ঠাপক অধ্যক্ষক কলেজত সোমাবলৈ নিদিয়াৰ অভিযোগ

**ই-সংবাদ কলগাছিয়া, ২৫ মাৰ্চঃ** বৰপেটা জিলাৰ লাংলাত অৱস্থিত বৰপেটা-বঙাইগাঁও কলেজ চমুকৈ বি বি কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মানিক আলীক কলেজখনত যোগদান কৰাত কলেজ কৰ্তৃপক্ষই বাধা প্ৰদান কৰা বুলি অভিযোগ উত্থাপন কৰিছে অধ্যক্ষগৰাকীয়ে। বৰ্তমান কলেজখনত অৰাজকতা আৰু অনিয়ম সংঘটিত কৰি কলেজখন একাংশই ধ্বংসৰ পথলৈ ঠেলি দিছে বুলিও ক্ষোভ প্ৰকাশ কৰিছে প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীয়ে। মন কৰিবলগীয়া যে কলেজখনৰ অধ্যক্ষ মানিক আলীয়ে ঈশান উদয় ছাত্ৰ বৃত্তিৰ কেলেংকাৰীত অভিযুক্ত হৈ ২০২১ চনত কলেজৰপৰা ওলাই আহিব লগা হৈছিল। আইনৰ দৃষ্টিত মানিক আলী সম্প্ৰতি নিৰ্দোষী বুলি প্ৰমাণ হৈছে যদিও আজিলৈকে কলেজখনত সোমাবলৈ দিয়া নাই। অধ্যক্ষগৰাকীয়ে কলেজ কৰ্তৃপক্ষৰ ওচৰত বাৰে বাৰে আহ্বান জনোৱাৰ পিছতো কলেজত সোমাবলৈ নিদিয়াৰ বাবে গভৰ্ণিং ব'ডীৰ বিৰুদ্ধে গুণ্ডাগিৰিৰ অভিযোগ উত্থাপন কৰিছে। উল্লেখযোগ্য যে শনিবাৰে ভুক্তভোগী মানিক আলীয়ে নিজ গৃহত এক সংবাদমেলৰ আয়োজন কৰি সংবাদ মাধ্যমৰ জৰিয়তে কলেজখনত অধ্যক্ষৰ পদত পুনৰ যোগদান কৰিবলৈ দিব লাগে বুলি কলেজ কৰ্তৃপক্ষ আৰু গভৰ্ণিং ব'ডীক আহ্বান জনায়। লগতে তেওঁ কয়-- মই কলেজত থকা সময়ত ২০২১ চনত বিনামূলীয়া নামভৰ্তি আৰু অন্যান্য বিষয়ৰ ওপৰত প্ৰায় ১৪ লাখ টকা কলেজখনে লাভ কৰিছিল। সেইদৰে ২০২২ চনত প্ৰায় ৪৩ লাখ টকা চৰকাৰৰ ফালৰপৰা পাইছিল কলেজখনে। কিন্তু ২০২২ চনৰ নৱেম্বৰত ঈশান উদয় ছাত্ৰ বৃত্তিৰ ধনৰ কেলেংকাৰীত মোক ষড়যন্ত্ৰমূলকভাৱে জড়িত কৰা হৈছিল। মই জে'ললৈ যোৱাৰ সময়ত ৫৭ লাখ টকা কলেজত থৈ গৈছিলো। কিন্তু মই ওলাই অহাৰ পিছত দেখিছো কলেজখনত কোনো উন্নয়ন হোৱা নাই। ২০২৩ চনত কলেজে কোনো ধন পোৱা নাই। ২০২৪ চনত মাত্ৰ ২৭ লাখ টকা কলেজখনে পাইছিল। সেয়ে প্ৰতিষ্ঠাপক অধ্যক্ষ মানিক আলীক কলেজখনত অধ্যক্ষৰ পদত পুনৰ যোগদান কৰিবলৈ দিয়াৰ বাবে সংবাদ মেলৰ জৰিয়তে গভৰ্ণিং ব'ডীৰ ওচৰত আহ্বান জনাইছে। ইফালে, গভৰ্ণিং ব'ডীৰ সভাপতি আশ্ৰফ হুছেইন বি এছ ছিয়ে অধ্যক্ষক বাধা দিয়া তথা গুণ্ডাগিৰিৰ বিষয়টো অস্বীকাৰ কৰিছে।

# বৈঠালাংছ'লৈ গৌৰৱ কঢ়িয়াই আনিছে স্নেহা কোঁৱৰে

**ই-সংবাদ, বৈঠালাংছ', ২৫ মাৰ্চঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ৰ এগৰাকী কন্যাই মডেলিঙেৰে ৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা অৰ্জন কৰি গৌৰৱ কঢ়িয়াই অনাত উৎফুল্লিত হৈ পৰিছে জিলাবাসী। Mr. and Miss North East India ৰ আয়োজক ৰিজু মিলাৰৰ আমন্ত্ৰণক্ৰমে ছিক্কিমত অনুষ্ঠিত হোৱা Miss North East India Super Model -2025 অত অসমৰ পৰা Brand Ambassador হিচাপে প্ৰতিনিধিত্ব কৰি অসম তথা কাৰ্বি আংলং জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে বৈঠালাংছ'



অঞ্চলৰ এডেবাৰীৰ কন্যা তথা মডেল স্নেহা কোঁৱৰে। মডেলগৰাকীয়ে এই ছুপাৰ মডেল শ্ব'ত অসমীয়া পৰম্পৰাগত জাতীয় সাজ-পাৰ পৰিধান কৰি জাপি আৰু গামোচাৰে মডেলিং প্ৰদৰ্শনেৰে ২৪ খন ৰাজ্যৰ মডেলসকলৰ ভিতৰত বিশেষ সন্মান তথা স্থান লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে স্নেহা কোঁৱৰে ইতিমধ্যে Alee Club ৰ Miss and Mr. Teen India, India's Shinning Award, Asia Fashion League (The Biggest Runway Show), Iconic Star Award, Best Model of the year, North East National Award আদি বহু কেইটা ফেশ্বন শ্ব' ইভেণ্টত অংশগ্ৰহণ কৰি ট্ৰফী, ক্ৰাউন, চাৰ্টিফিকেট আদি লাভ কৰিবলৈ সক্ষম হৈছে।

# ৰাভা হাছঙৰ নিৰ্বাচনী হিংসা আৰম্ভ
# ৰাভা যৌথ মঞ্চৰ কাৰ্যালয় লণ্ডভণ্ড, বাসগৃহত আক্ৰমণ

**ই-সংবাদ, বকো, ২৫ মাৰ্চঃ** ২ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা পৰিষদীয় নিৰ্বাচন নিচেই চমু চাপি অহা অৱস্থাতে ৰাভা হাছঙৰ বিভিন্ন পৰিষদীয় সমষ্টি এলেকা ক্ৰমাৎ উত্তপ্ত হৈ উঠিছে। ঠিক এনে এক পৰিস্থিতিৰ মাজতে যোৱানিশা বকো আৰক্ষী থানা এলেকাধীন পৰিষদীয় সমষ্টি এটাৰ নিৰ্বাচনী কাৰ্যালয়ৰ লগতে বহুকেইটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰাৰ ঘটনা পোহৰলৈ আহিছে। যাৰ পৰিপ্ৰেক্ষিতত ৰাভা হাছং এলেকাত এতিয়া বিৰাজ কৰিছে এক চেপা উত্তেজনাই। প্ৰাপ্ত বাতৰি মতে ২৪ নং লুকী পৰিষদীয় সমষ্টিৰ এলেকাধীন জয়পুৰৰ বনগাঁও বুঢ়ীগাঁৱৰ চৰাব ৰাভাৰ ঘৰত অচিনাক্ত দুষ্কৃতিকাৰীয়ে প্ৰথমে আক্ৰমণৰ ঘটনা সংঘটিত কৰি দুষ্কৃতিকাৰীৰ দলটোৱে চৰাব ৰাভাৰ বাসগৃহ লণ্ডভণ্ড কৰে। বাঁহৰ যাঠী লৈ খিৰিকীৰে আক্ৰমণ কৰাত



কথমপি প্ৰাণ ৰক্ষা পৰে শুই থকা চৰাব ৰাভাৰ পুত্ৰৰ। তাৰ পিছত দলটোৱে জয়পুৰৰ গোবৰ্ধন ৰাভাৰ ঘৰত আক্ৰমণ কৰে। আক্ৰমণকাৰী দলটোৱে উলুপাৰত দুটাকৈ পৰিয়ালৰ ঘৰতো আক্ৰমণ কৰি ঘৰৰ ক্ষতি কৰে। ইফালে, এই আক্ৰমণৰ ঘটনাত উত্তেজিত হৈ আন এটা অচিনাক্ত দুষ্কৃতিকাৰীৰ দলে প্ৰথমে গামেৰীমূৰাস্থিত আৰছু কাৰ্যালয় লণ্ডভণ্ড কৰে। ইয়াৰ পিছত দলটোৱে কাৰ্যালয়ত থকা যুৱকক বেয়াকৈ প্ৰহাৰ কৰে। দলটোৱে কাৰ্যালয়ৰ চকী-মেজ ভঙাৰ উপৰি চৌহদত থকা দুখন বাইক ভাঙি পেলায়। ইয়াৰ উপৰি ২৪ নং লুকী পৰিষদীয় সমষ্টিৰ এলেকাধীন অসম-মেঘালয় সীমান্তৰ মালাং, গামেৰীমূৰাত ৰাভা যৌথ সংগ্ৰাম সমিতিৰ নিৰ্বাচনী কাৰ্যালয় লণ্ডভণ্ড কৰি অগ্নিসংযোগ কৰে। দলটোৱে নিতেন ৰাভাৰ ঘৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে দেবে ৰাভা, অভিজিত ৰাভা, কুশল ৰাভা আৰু সুবল ৰাভাৰ ঘৰবো ক্ষতি সাধন কৰে। পিছত ঘটনাৰ খবৰ পাই বকো থানাৰ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। ইফালে, এই হিংসাত্মক ঘটনাক কেন্দ্ৰ কৰি বকো আৰক্ষী থানাত কেইবাটাও পক্ষই পৃথকে পৃথকে এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে।

# ড০ জয়দেৱ গগৈ কানৈ কমাৰ্চ কলেজৰ নতুন অধ্যক্ষ

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ মাৰ্চঃ** ডিব্ৰুগড় জিলা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ নতুন অধ্যক্ষ হিচাপে আজি ড০ জয়দেৱ গগৈয়ে দায়িত্ব গ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শৈলেন গগৈৰ পৰা দায়িত্ব গ্ৰহণ কৰা ড০ গগৈ বৰবৰুৱা অঞ্চলৰ শিক্ষক তথা লেখক প্ৰয়াত খগেন্দ্ৰনাথ গগৈ আৰু তিলো গগৈৰ কনিষ্ঠ পুত্ৰ আৰু সম্প্ৰতি ডিব্ৰুগড় মহানগৰৰ গান্ধীনগৰ অঞ্চলৰ স্থায়ী বাসিন্দা। মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপক গোপাল শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ ৰঘুনাথ বৰবৰা, অৱসৰপ্ৰাপ্ত অধ্যাপক ৰমাকান্ত গগৈ, ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক যাদৱ গগৈ তথা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ উপস্থিতিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তেওঁ নতুন দায়িত্ব গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে তেওঁ মহাবিদ্যালয়খনৰ ব্যৱসায় পৰিচালনা বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। মহাবিদ্যালয়খনৰে প্ৰাক্তন বিদ্যাৰ্থী নৱনিযুক্ত অধ্যক্ষগৰাকী ডেৰ দশকজোৰা শৈক্ষিক অভিজ্ঞতাৰ লগতে গৱেষক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ এগৰাকী গৱেষণা তত্ত্বাৱধায়ক হিচাপেও অভিজ্ঞতাৰ শিক্ষাবিদ হিচাপে পৰিচিত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা হিচাপবিদ্যা আৰু 'মানৱ সম্পদ পৰিচালনা' উভয় বিষয়তে বাণিজ্যৰ স্নাতকোত্তৰ উপাধি গ্ৰহণ কৰা ড০ গগৈয়ে একে বিশ্ববিদ্যালয়ৰে বাণিজ্য বিভাগৰ অধীনত 'ভাৰতত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত মানৱ সম্পদ উন্নয়ন অনুশীলনঃ তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, অসম সম্পদ, নাজিৰাৰ এটি অধ্যয়ন' শীৰ্ষক বিষয়ত গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰিছিল। তদুপৰি তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰাই 'ক্ষুদ্ৰ উদ্যোগৰ কৰ্মচাৰীৰ সমস্যাঃ ডিব্ৰুগড় নগৰৰ ছপা উদ্যোগৰ এটি অধ্যয়ন' শীৰ্ষক বিষয়ত এম ফিল উপাধিও লাভ কৰিছিল। আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় গৱেষণা-পত্ৰিকাত প্ৰকাশিত বিভিন্ন গৱেষণা-পত্ৰৰ লগতে ড০ গগৈ আন বহু প্ৰকাশনৰ কৃতিত্বৰো গৰাকী। মহাবিদ্যালয়ৰ শিক্ষক গোট, কৰ্মচাৰী গোট, ছাত্ৰ-সমাজ তথা অন্যান্য অংশীদাৰসকলৰ লগতে ডিব্ৰুগড়ৰ বিভিন্ন সামাজিক সংগঠন আৰু ব্যক্তিবিশেষেও ড০ গগৈক তেওঁৰ নতুন দায়িত্বৰ বাবে অভিনন্দন জনাইছে। অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি ড০ গগৈয়ে মহাবিদ্যালয় পৰিয়ালৰ লগতে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম পূৰ্ণাংগ বাণিজ্য মহাবিদ্যালয় হিচাপে চিহ্নিত ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনলৈ সকলোৰে সহযোগত এক নতুন সমৃদ্ধি আনিবলৈ তেওঁ যথাসাধ্য চেষ্টা কৰিব বুলি অভিমত ব্যক্ত কৰে। ড০ জয়দেৱ গগৈৰ সবল নেতৃত্বত মহাবিদ্যালয়খনে ডিব্ৰুগড় চহৰৰ শৈক্ষিক ক্ষেত্ৰলৈ এক নতুন উজ্জ্বলতা আনি সফলতাৰ এক নতুন দিগন্ত স্পৰ্শ কৰিব বুলি ডিব্ৰুগড়বাসীয়ে আশা প্ৰকাশ কৰিছে।

# চেঙাত কংগ্ৰেছৰ উদ্যোগত সমূহীয়া ইফতাৰ

**ই-সংবাদ, নগৰবেৰা, ২৫ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ভাতনাপাইতি মডেল হাইস্কুল প্ৰাংগণত আজি ভাতনাপাইতি মণ্ডল কংগ্ৰেছ কমিটীৰ উদ্যোগত সমূহীয়া ইফতাৰ পাৰ্টিৰ আয়োজন কৰা হয়। সমূহীয়া ইফতাৰ পাৰ্টিত উপস্থিত থাকে চেঙা ব্লক মহিলা কংগ্ৰেছ কমিটীৰ নৱনিযুক্ত সভানেত্ৰী আকলিমা খাতুন। যুৱ সমাজকৰ্মী অধিবক্তা ৰফিকুল হক চৌধুৰীৰ উপস্থিতিত আয়োজন কৰা ইফতাৰ পাৰ্টিৰ প্ৰাকক্ষণত নৱনিযুক্ত সভানেত্ৰীগৰাকীক সম্বৰ্ধনা জনোৱা হয়। ইফতাৰ পাৰ্টিত বিশ্বশান্তি ৰক্ষাৰ বাবে সমূহীয়া মোনাজাত কৰা হয়। ইফতাৰ পাৰ্টিত ভাতনাপাইতি মণ্ডল কংগ্ৰেছ কমিটীৰ সভাপতি ইউচুৰ আলী চৌধুৰী, সম্পাদক মতিয়ৰ ৰহমান, বাঘমাৰা চৰ মণ্ডল কংগ্ৰেছ কমিটীৰ সভাপতি জিন্না ৰেজ্জাকুল আলম, খোলাবান্ধা মণ্ডল কংগ্ৰেছ কমিটীৰ সভাপতি আব্দুল মজিদ, বাঘমাৰাচৰ জিলা পৰিষদৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী ক্ৰমে নৱনিযুক্ত সভানেত্ৰী আকলিমা খাতুন, বৰপেটা জিলা মহিলা কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদিকা হাছিনা ছুলতানা, জবেদা খাতুন, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সংখ্যালঘু বিভাগৰ সম্পাদক মিৰ্জা ওচমান গনি, আব্দুল বাতেনৰ লগতে বহুসংখ্যক দলীয় কৰ্মকৰ্তা উপস্থিত থাকে। উল্লেখ্য যে ৰমজান মাহ উপলক্ষে ৰফিকুল হক চৌধুৰীয়ে দৰিদ্ৰ লোকৰ বাবে শাৰী, লুঙী আদি বিতৰণ কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ভূ-মাফিয়াৰ কবলত আউনীআটী সত্ৰৰ ভূমি



**ই-সংবাদ, বৰমা, ২৫ মাৰ্চঃ** অসম চৰকাৰে দুৰ্নীতি, স্বজন-প্ৰীতি, আদিৰ ওপৰত শূন্য সহনশীলতাৰে কাম কৰা বুলি দোহাই থাকিলেও প্ৰকৃতাৰ্থত সেয়া যে বাস্তৱত কাৰ্যকৰী হোৱা নাই সেয়া চৰকাৰী বিষয়াৰ কৰ্মকাণ্ডই প্ৰমাণ কৰিছে। পুৱা ৭ বজাৰপৰা আবেলি ২ বজালৈ ডাম্পাৰৰ চলাচল বন্ধ কৰাৰ জাননী জাৰি কৰিলেও সেই নিৰ্দেশ ভৰিৰে মোহাৰি এতিয়া একাংশই দিনে-নিশাই ধূলি উৰুৱাই নিৰ্বিঘ্নে চলাইছে ডাম্পাৰ। উল্লেখ্য যে বাকসা জিলাৰ বৰমাত মৰা পাগলাদিয়া নদীৰ বালি চাপৰি, বুকু খান্দি নদীখনক বিপজ্জনক অৱস্থালৈ পৰিৱৰ্তিত কৰা বালি মাফিয়া, ভূ-মাফিয়াৰ চকু পৰিছে এইবাৰ আউনীআটীয়া গোস্বামী তথা সত্ৰৰ ভূমিত। এনে কাৰ্য দেখি সাধাৰণ ৰাইজে কালেকচন মাষ্টাৰ বুলি জনাজাত জিলা বন বিষয়াই এইবাৰ ভূ-মাফিয়াক সত্ৰৰ ভূমি খননৰ লাইচেঞ্চ দিছে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰিছে। ভূ-মাফিয়া চক্ৰই এইবাৰ লক্ষ্য কৰি লৈছে বাক্সাৰ বন বিভাগৰ বাটাবাৰী ৰেঞ্জৰ তথা বৰমা ৰাজহ চক্ৰৰ অন্তৰ্গত আউনীআটী সত্ৰৰ ১ নং পাট্টাৰ ৭১৮-৭৫০ নং দাগৰ লা খেৰাজ চাৰিশ পাঁচ বিঘা দহ লেচা ভূমি। মাফিয়া চক্ৰটোৱে অতি কম মূল্য দি কৃষকে খেতি কৰি থকা সত্ৰৰ ভূমি এফালৰপৰা খান্দি পুখুৰীৰ সৃষ্টি কৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সত্ৰৰ মাটি বেদখল কৰাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল। কিন্তু মুখ্যমন্ত্ৰীক বুঢ়াআঙুলি দেখুৱাই এনেদৰে বন বিভাগৰ সৈতে মাটি মাফিয়া চক্ৰই মিতিৰালি কৰি জেচিবি, ফ'কলেণ্ড লগাই এফালৰ খান্দি ডাম্পাৰেৰে সৰবৰাহ কৰিছে সত্ৰৰ ভূমি। মাটি মাফিয়া জনৈক বড়ো, জনৈক আলীৰ নেতৃত্বত চলিছে সত্ৰৰ মাটিৰ খনন। বাকসা জিলা বন বিভাগক এনে কাৰ্যৰ খবৰ দিলেই ভূ-মাফিয়াক সজাগ কৰি দি পুনৰ মাটি খননৰ অনুমতি দিয়ে। জানিও নজনাৰ ভাও ধৰা বন বিভাগ এইক্ষেত্ৰত নিমাত। নিমাত হৈ থাকে বাক্সা জিলা প্ৰশাসনো। স্থানীয় ৰাইজে মাটি মাফিয়া চক্ৰৰ এই কাৰ্যক ধিক্কাৰ দি বিটিআৰপ্ৰধান প্ৰমোদ বড়োৰ হস্তক্ষেপ বিচাৰিছে। উল্লেখ্য যে মাটি মাফিয়াক এখন পুৰণি সত্ৰৰ মাটি খননৰ অনুমতি দি কালেকচন মাষ্টাৰ জিলা বন বিষয়াই ভূ-মাফিয়াৰপৰা লাখে লাখে টকা চপাইছে নেকি বুলিও প্ৰশ্ন উঠিছে। কাৰ আশীৰ্বাদত বলিয়ান হৈ এগৰাকী বন বিষয়াই ভূ-মাফিয়াক এৰি দিছে সত্ৰৰ ভূমি। বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষই এনে বন বিষয়াৰ বিৰুদ্ধে কিয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাহস কৰা নাই সেয়া এটা ডাঙৰ প্ৰশ্ন। স্থানীয় ৰাইজে ভূ- মাফিয়াৰ এনে কাণ্ডৰ তদন্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ দাবী জনাইছে।

# উপাধ্যক্ষক আক্ৰমণৰ বিৰুদ্ধে মাজুলীতো বিজেপিৰ প্ৰতিবাদ

## ৰূপজ্যোতি কুৰ্মী কাণ্ডৰ ইচ্যু ডাইভাৰ্টত সফল বিজেপি

**ই-সংবাদ, মধ্য মাজুলী, ২৫ মাৰ্চঃ** চলিত বিধানসভা অধিৱেশনত বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিৰোধী বিধায়কলৈ চোঁচা লোৱা আৰু অশালীন মন্তব্য কৰাৰ পিছত হঠাৎ উক্ত ইচ্ছু সলনি কৰিবলৈ যেন সক্ষম হ'ল শাসকীয় দল। বিধান সভাক একপ্ৰকাৰে কলংকিত কৰা বিধায়ক কুৰ্মীৰ উক্ত কৰ্ম-কাণ্ডৰ বিৰুদ্ধে কালি প্ৰধান বিৰোধী দল কংগ্ৰেছৰ নেতৃত্বত বিৰোধীয়ে কৰা প্ৰতিবাদৰ সময়ত বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন আহত হোৱা বুলি হাতত নিজেই বগা বেণ্ডেজ লগাই ডাঃ মমিনে বিধান সভাত উক্ত কথা অৱগত কৰাৰ পিছতেই বিধান সভাত বিষয়টোক লৈ শাসকীয় বিধায়কে হুলস্থুলীয়া পৰিৱেশৰ সূচনা কৰাৰ লগতে ৰূপজ্যোতি কুৰ্মী কাণ্ড তলপেলাই ওলোটাই উপাধ্যক্ষ ডাঃ মমিনক আক্ৰমণ কৰা বুলি অভিযোগ বিৰোধীৰ ওপৰতহে জাপি দিয়াৰ লগতে উক্ত কাণ্ডক লৈ গোচৰপৰ্যন্ত ৰুজু কৰে। সমান্তৰালভাৱে আজি উক্ত কাণ্ডক লৈ ৰাজ্যজুৰি বিজেপিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। সমান্তৰালভাৱে মাজুলীতো আজি ভাৰতীয় জনতা পাৰ্টি মাজুলী জিলাৰ অনুসূচিত জনজাতি মৰ্চাৰ উদ্যোগত অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক কৰা আক্ৰমণৰ প্ৰতিবাদত মাজুলী বিজেপিয়ে জিলা সদৰ গড়মূৰত এক প্ৰতিবাদী অৱস্থানৰ কাৰ্য্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদত অংশগ্ৰহণ কৰি জিলা বিজেপিৰ সভাপতি দীপক গোস্বামীয়ে গণতন্ত্ৰৰ পৱিত্ৰ মন্দিৰ অসম বিধানসভাৰ মজিয়াত উপাধ্যক্ষ তথা অসমৰ এটা খিলঞ্জীয়া জনগোষ্ঠীৰ জনপ্ৰতিনিধি ডাঃ নোমল মমিনক বংগমূলীয় কংগ্ৰেছী বিধায়কে কৰা আক্ৰমণ বিৰোধীৰ অনৈতিক, অপৰিপক্ক আৰু অগণতান্ত্ৰিক আচৰণ বুলি উল্লেখ কৰি তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। ইফালে, প্ৰতিবাদৰ অন্তত দোষীসকলৰ বিৰুদ্ধে কঠোৰতম শাস্তি প্ৰদানৰ দাবীত জিলা আয়ুক্তৰ যোগেদি অসম বিধানসভাৰ অধ্যক্ষলৈ ন্যায় বিচাৰি এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

# দুলীয়াজানত সৃষ্টিমূলক নৃত্যৰ কৰ্মশালা সম্পন্ন

**ই-সংবাদ বিশেষ, দুলীয়াজান, ২৫ মাৰ্চঃ** দুলীয়াজান মহাবিদ্যালয়ৰ উদ্যোগত আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ, দুলীয়াজান মহাবিদ্যালয়, ডান্স এণ্ড ড্ৰামা ক্লাব আৰু ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সৌজন্যত সাতদিনীয়া সৃষ্টিমূলক নৃত্যৰ কৰ্মশালা এখন অনুষ্ঠিত হৈ যায়। যোৱা ২৮ ফেব্ৰুৱাৰীত আৰম্ভ কৰা কৰ্মশালাৰ পুনেত অৱস্থিত ভাৰতী বিদ্যাপীঠ বিশ্ববিদ্যালয়ৰ সত্ৰীয়া নৃত্যৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়ন কৰি থকা ছাত্ৰী জাহ্নৱী গগৈয়ে সমল ব্যক্তি হিচাপে উপস্থিত থাকে। ২০ মাৰ্চত অনুষ্ঠিত কৰ্মশালাৰ সামৰণি সভাত দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকবিকাশ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰে। উপাধ্যক্ষা জ্যোতি সিং পাঠকে বক্তব্যৰ জৰিয়তে অংশগ্ৰহণকাৰী ছাত্ৰী সকলক উৎসাহিত কৰে। শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মনচুন হাতীবৰুৱাই মানুহৰ মনৰ বিকাশৰ ক্ষেত্ৰত নৃত্যৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। উক্ত সভাত অংশগ্ৰহণকাৰী ছাত্ৰীসকলক মান-পত্ৰ প্ৰদান কৰে। শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা তথা ডান্স এণ্ড ড্ৰামা ক্লাবৰ আহ্বায়িকা ড° অম্বালিকা বৰঠাকুৰে আঁতধৰা সভাত অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক মৃন্ময় কুমাৰ বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# পুঁজিপতিক ভূমি আবণ্টন দিয়াৰ বিৰোধিতাৰে ডিফুত এপিইছএলচি, চিপিআই (এমএল)ৰ তীব্ৰ প্ৰতিবাদ




**ই-সংবাদ, ডিফু, ২৫ মাৰ্চঃ** মঙলবাৰে কাৰ্বি আংলঙত চৰকাৰে পুঁজিপতিসকলক ভূমি আবণ্টন দিয়া সিদ্ধান্তৰ বিৰোধিতাৰে ডিফুত এপিইছএলচি আৰু চিপিআই (এম এল)য়ে ডিফু চহৰত বৃহৎ প্ৰতিবাদী সমদল বাহিৰ কৰে। আম্বানিক চিবিজি প্ৰকল্পৰ বাবে পশ্চিম কাৰবি আংলং জিলাত ৯০ হাজাৰ বিঘা মাটি দিয়া, সৌৰশক্তি প্ৰকল্পৰ বাবে বৰজানত ১৮ হাজাৰ বিঘা মাটি এপিডিচিএলক দিয়া, পতঞ্জলিৰ পাম অইলৰ খেতিৰ বাবে চামেলাংচ'ত ৫০ হাজাৰ বিঘা মাটি দিয়া, সৈনিক স্কুলৰ বাবে লাংবুকুত ৫০০ বিঘা মাটি দিয়াৰ বিৰুদ্ধে ডিফুত আজি এপিইছএলচি আৰু চিপিআই (এম এল) দলে বৃহৎ প্ৰতিবাদী সমদল উলিয়ায়। ডিফু বিৰলাৰ পৰা প্ৰায় ৮ কিলোমিটাৰ খোজকাঢ়ি সমদলটো কাৰবি আংলং স্বায়ত্বশাসিত পৰিষদৰ প্ৰৱেশ দ্বাৰলৈ আহি তীব্ৰ প্ৰতিবাদ কৰে। প্ৰতিবাদকাৰীসকলে আম্বানিৰ চিবিজ প্ৰকল্প হ'বলৈ দিয়া নহ'ব, আম্বানি গ' বেক, ছ'লাৰ প্ৰজেক্ট গ' বেক, হিমন্ত বিশ্ব শৰ্মা গ' বেক, তুলিৰাম ৰংহাং গ' বেক, বিজেপি গ' বেক ধ্বনিৰে ডিফু চহৰ উত্তাল কৰি তুলে। এপিএইছএলচিৰ যুৱনেতা আংতং ইংতি কাথাৰে সংবাদ মাধ্যমৰ আগত কয় যে কাৰবি আংলং স্বায়ত্বশাসিত পৰিষদে জনতাক অন্ধকাৰত ৰাখি বৃহৎ পুঁজিপতিক এফালৰপৰা মাটি দিবলৈ লৈছে। নেপিয়াৰ ঘাঁহ ৰোপণ কৰি বৃহৎ চিবিজি প্ৰকল্পৰ বাবে লাখ বিঘা মাটি লাগিব। সেই মাটি কেৱল পশ্চিম কাৰবি আংলং জিলাৰ আমৰি সমষ্টিতে নহ'ব। একেদৰে বৰজানৰ সৌৰশক্তি প্ৰকল্পৰ বাবে ১৮ হাজাৰ বিঘা মাটি দিয়াৰো তেওঁ বিৰোধিতা কৰে। তেওঁ কয় সৈনিক স্কুলৰ ফীজ ১ লাখ টকা। আমাৰ দুখীয়া মানুহে তাত সন্তাক পঢ়াব নোৱাৰে। সৈনিক স্কুল পতাৰ আগত তাত জনজাতীয় ল'ৰা-ছোৱালীৰ বাবে কিমান ছিট থাকিব সেয়া স্পষ্ট কৰক। একেদৰে প্ৰথম যুৱক-যুৱতীসকলৰ পাৰদৰ্শী কৰাৰ কাথাৰ পৰিষদৰ সচিব, উপ-সচিবৰ এটা দল কাৰ্যসূচী লোৱাৰো আহ্বান জনায়। কাৰণ বোকাজান চিমেণ্ট কাৰখানা আৰু লাংপি জলবিদ্যুৎ প্ৰকল্প আছে কিন্তু তাত স্হানীয় কৰ্মচাৰী নাই। আংতং ইংতি আহি প্ৰতিবাদকাৰীসকলৰ স্মাৰক-পত্ৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। প্ৰতিবাদৰ নেতৃত্ব লোৱা এপিএইছএলচি দলৰ সভাপতি জনচ্ ইংতি কাথাৰে কয় যে বিজেপি আৰ এছ এছে সদায় জনজাতীয় লোকক নিঃশেষ কৰাৰ ষড়যন্ত্ৰ কৰি আহিছে। সেয়ে জনজাতীয়ৰ মাটি সৌৰ প্ৰকল্প, আম্বানিৰ দৰে পুঁজিপতিক দিব বিচাৰিছে।

## ৰাইজৰ মাজত প্ৰতিক্ৰিয়াঃ গাঁৱৰ ভিতৰুৱা অঞ্চলত সঠিক নিৰীক্ষণ কৰাৰ আহ্বান

# নলবাৰীত পূৰ্বনিৰ্ধাৰিত স্থানত জলজীৱন আঁচনি পৰিদৰ্শন ৰাষ্ট্ৰীয় বিশেষজ্ঞ দলৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৫ মাৰ্চঃ** নলবাৰীত নিৰ্দিষ্ট তথা বছা বছা কেইখনমান জে জে এমৰ পানী যোগান আঁচনি বিভাগটোৰ কাৰ্যবাহী অভিযন্তা বাহিনীয়ে বিভাগীয় মন্ত্ৰীৰ আগত বাহঃ বাহঃ লোৱাৰ উদ্দেশ্যেৰে ৰাষ্ট্ৰীয় পৰ্যবেক্ষক দলক দেখুওৱা বিষয়টোৱে জিলাখনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ গৃহ জিলা নলবাৰীৰ একাধিক গাঁৱৰ ভিতৰুৱা, আওঁহতীয়া অঞ্চলত জলজীৱন মিছনৰ দ্বাৰা নিৰ্মাণ কৰা পানী যোগান আঁচনি অতি কম দিনতে বিকল হোৱা, ভেকোঁভাওনা পৰিণত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হোৱাৰ সময়ত জিলাখনত উপস্থিত হৈ ৰাষ্ট্ৰীয় বিশেষজ্ঞৰ দলে একাংশ বছা বছা আঁচনি পৰিদৰ্শন কৰি এক প্ৰকাৰ ক্লিনশ্বিট দিয়া বিষয়টোৱে এচাম সচেতন নাগৰিকৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। লক্ষণীয়ভাৱে নলবাৰী জিলাত বৃহৎ কোটি টকা ব্যয়ৰে জলজীৱন মিছনৰ প্ৰায় দুশটা নতুনকৈ পানী যোগান আঁচনিৰ স্থাপন কৰাৰ পিছতো গ্ৰাম্য জিলাখনৰ হেজাৰ হেজাৰ পৰিয়ালে বিশুদ্ধ খোৱা পানী লাভৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে ৰাষ্ট্ৰীয় পানী আৰু অনাময় বিশেষজ্ঞ এটা প্ৰতিনিধি দলে কেবাখনো পানী যোগান আঁচনি পৰিদৰ্শন কৰে। জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে আগতে নিৰ্ধাৰিত কৰি থোৱা একাংশ বছা বছা পানী যোগান আঁচনি পৰিদৰ্শন কৰিবলৈ প্ৰতিনিধি দলটোক লৈ যোৱা হৈছে বুলিও ৰাইজৰ মাজত চৰ্চা হৈছে। জানিব পৰা মতে, ৰাষ্ট্ৰীয় পানী আৰু অনাময়ৰ বিশেষজ্ঞ সুভাষ কুমাৰে ১৮-২১ মাৰ্চলৈ নলবাৰী জিলাত ৰূপায়ণ হৈ থকা জল জীৱন মিছন আৰু স্বচ্ছ ভাৰত মিছন গ্ৰামীণৰ কাম-কাজ পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্যে জিলাখনৰ ৪ নং খাটা পঞ্চায়তৰ দুখন গাঁও ক্ৰমে ক্ষুদ্ৰশংকৰা আৰু জাপাৰকুছিত উপস্থিত হয় আৰু পানী যোগান আঁচনি দুখন পৰিদৰ্শন কৰে। ক্ষুদ্ৰশংকৰা, জাপাৰকুছিৰ পানীযোগান আঁচনি দুখনৰ সকলো অংশীদাৰ যেনে পানী উপভোক্তা সমিতি, জলমিত্ৰ, পানী পৰীক্ষা কৰা এফ টি কে মহিলা গোট আৰু পানী উপভোক্তা ৰাইজৰ লগত মত বিনিময় কৰি আঁচনি দুখন কাম-কাজক লৈ সন্তুষ্টি প্ৰকাশ কৰে। ৪ নং পঞ্চায়তৰ সচিব চিন্ময় চক্ৰৱৰ্তী, আই ই চি, জিলা সমন্বয়ক চুইটী তালুকদাৰ, বিভাগীয় কাৰ্যবাহী অভিযন্তা নিতুল তালুকদাৰ আৰু শাখা বিষয়া বিকাশ ভূঞাই বিভাগীয় সকলো কাম-কাজৰ খতিয়ান দাঙি ধৰে লগতে লাগতিয়াল নথি-পত্ৰ প্ৰতিবেদন দৃষ্টি গোচৰ কৰায়। এন ডব্লিউ ই সুভাষ কুমাৰে গাঁও দুখনৰ কেইটামান শৌচালয় আৰু ঘৰুৱা নল সংযোগো পৰিদৰ্শন কৰে। আনহাতে, ক্ষুদ্ৰশংকৰা গাঁৱৰ জাবৰ ব্যৱস্থাপনা কেন্দ্ৰ এম চি এফ আৰু পঞ্চায়ৰ গাঁৱৰ জাবৰ ব্যৱস্থাপনা কেন্দ্ৰ কেন্দ্ৰীয় এম চি এব আৰু পঞ্চায়ত গৃহও পৰিদৰ্শন কৰে। পৰৱৰ্তী সময়ত JJM আৰু SBM-g অন্যান্য দিশসমূহ পৰিদৰ্শন কৰিব বুলি জানিব পৰা গৈছে। পৰ্যবেক্ষক দলটোক গাঁৱৰ ভিতৰুৱা অঞ্চলৰ অব্যৱস্থাৰে চলি থকা জে জে এমৰ পানী যোগান আঁচনি আৰু জাবৰ ব্যৱস্থাপনাৰ দিশসমূহ পৰ্যবেক্ষক কৰাৰ লগতে বিভাগীয় মন্ত্ৰীগৰাকীক বিষয়টো নজৰ দিবলৈ দাবী জনাইছে ৰাইজে।

# কৰবী ডেকা হাজৰিকাৰ জীৱনভিত্তিক গ্ৰন্থ 'বিন্দুতে সিন্ধু' উন্মোচন ড০ বসন্ত কুমাৰ গোস্বামীৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ মাৰ্চঃ** অসমৰ এগৰাকী বৰেণ্য কবি, গীতিকাৰ, ঔপন্যাসিক, সাহিত্যিক অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক, সাহিত্যাচাৰ্য ড০ কৰবী ডেকা হাজৰিকাৰ জীৱনৰ ভিন্ন দিশ সামৰি ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক, অভিনেত্ৰী, নাট্যকাৰ ঝৰ্ণা শইকীয়াই ৰচনা কৰা 'বিন্দুতে সিন্ধু' গ্ৰন্থখন উন্মোচন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে। সাহিত্যিকগৰাকীৰ সামাজিক, সাংস্কৃতিক, সাহিত্যিক আৰু ব্যক্তিগত জীৱনৰ সুখ-দুখ, আনন্দ-বিষাদ আদিক লৈ বিভিন্ন সময়ত হোৱা কথোপকথন আৰু তথ্য পূৰ্ণ অভিজ্ঞতাৰ পটভূমিত ৰচনা কৰা গ্ৰন্থখন অসমীয়া সাহিত্য ক্ষেত্ৰখনৰ বাবে এখন উল্লেখযোগ্য গ্ৰন্থ হ'ব বুলি আশা কৰা হৈছে। গ্ৰন্থখনিয়ে কৰবী ড০ ডেকা হাজৰিকাৰ বৈচিত্ৰময় আৰু বাৰেৰহণীয়া জীৱন, মনৰ দাপোণৰ ৰং-ৰূপৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰিছে। অসমৰ গ্ৰন্থপ্ৰেমী আৰু গ্ৰন্থানুৰাগী ৰাইজক এই গ্ৰন্থৰ সোৱাদ ল'বলৈ সভাপতি ডাঃ গোস্বামীয়ে উন্মোচনী ভাষণত আহ্বান জনায়। ড০ কৰবী হাজৰিকাৰ সাহিত্যিক জীৱনৰ অন্তৰালত থকা বংশানুক্ৰমিক সমৃদ্ধ শিপাৰ সন্ধানকে মুখ্য কৰি জীৱন-যৌৱনৰ ৰমনীয় স্মৃতিৰ সুবাসক মোহনীয় ৰূপত অংকিত কৰা



হৰ্ষ-বিষাদৰ চকুলোৰে ধুই নিয়া মুহূৰ্তবোৰ গ্ৰন্থখনিত বৰ্ণিত হৈছে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত আৰু পূব বাণীপুৰৰ উপাসনা কলাকেন্দ্ৰত আয়োজিত গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকে সাহিত্যাচাৰ্য ড০ কৰবী ডেকা হাজৰিকা, সাহিত্যাচাৰ্য ড০ ভীমকান্ত বৰুৱা, অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকা, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ডাঃ শান্তনু লহকৰ, ধনভৰালী মণিৰাম লাক্ষণ, ডিব্ৰুগড় জিলা সভাৰ প্ৰাক্তন সভাপতি নোমল গগৈ, বৰ্তমানৰ সভাপতি বদন গগৈ, উপ-সভাপতি প্ৰশান্ত নেওগ, সম্পাদক ভাগ্যেশ্বৰ গগৈ, পৰমেশ্বৰ নলবৰীয়া, প্ৰশান্ত শইকীয়া, ইন্দ্ৰ গগৈ, 'প্ৰহৰী'ৰ সম্পাদিকা দীপা গোস্বামী, বাণীপুৰ সাহিত্য সভাৰ সভাপতি অজয় দত্ত, প্ৰাক্তন সভাপতি দীপক কুমাৰ দত্ত, ড০ দিব্যজ্যোতি বৰা, উপাসনা কলাকেন্দ্ৰৰ অধ্যক্ষ তৰুণ কুমাৰ গগৈৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষক-গৱেষিকাৰ অন্যতম সংস্থা 'দকচিৰি'ৰ সদস্যবৃন্দকে ধৰি ভালেসংখ্যক সাহিত্যপ্ৰেমী। উল্লেখ্য যে দকচিৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰে কেৱল নহয়, নগাঁৱৰ মহাপুৰুষ শংকৰদেৱ বিশ্ববিদ্যালয়ৰো ড০ কৰবী ডেকা হাজৰিকাৰ অধীনৰ গৱেষকৰ এটি সংস্থা। লেখিকাগৰাকীৰ এনে কৰ্মই ভৱিষ্যতে অধিক কাম কৰাৰ বাবে প্ৰভূত প্ৰেৰণা যোগাব বুলি কৰবী ডেকা হাজৰিকাই মনৰ ভাব ব্যক্ত কৰে।

## নলবাৰীৰ স্বাস্থ্যখণ্ডত চৰম অৰাজকতা! ফাৰ্মাচিষ্ট নোহোৱাকৈ চলি আছে বহু ফাৰ্মাচী

# এজন ফাৰ্মাচিষ্টৰ অনুজ্ঞা-পত্ৰ বহু ঠাইত ভাড়া

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৫ মাৰ্চঃ** ৰাজ্যৰ স্বাস্থ্যসেৱা অধিক উন্নত আৰু গতিশীল কৰাৰ লক্ষ্যৰে চৰকাৰে কোটি কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন অভিলাসী আঁচনি গ্ৰহণ কৰাৰ সময়তে নলবাৰীৰ স্বাস্থ্যখণ্ডত চলি থকা অব্যৱস্থাই সচেতন মহলক হতচকিত কৰি তুলিছে। চৰকাৰী স্বাস্থ্যখণ্ডৰ দ্বাৰা পৰিচালিত একাংশ ফাৰ্মাচীয়ে বিভাগটোক ফাঁকি দি চলাই গৈছে ঔষধৰ ৰমৰমীয়া ব্যৱসায়। এইক্ষেত্ৰত ঔষধ পৰিদৰ্শক তথা নিয়ন্ত্ৰণ বিভাগৰ পয়ালগা ছবিখনে সচেতন নাগৰিকক ভবাই তুলিছে। আনহাতে, জনসাধাৰণৰ জীৱন-মৰণৰ সমস্যাক লৈ ব্যাপকভাৱে প্ৰচলিত ভেজাল ঔষধৰ বেহা নিয়ন্ত্ৰণত বিভাগটো এক প্ৰকাৰ ব্যৰ্থ হোৱাৰ অভিযোগ উঠিছে। জিলাখনৰ ভিতৰুৱা ঠাইৰ একাংশ লোকৰ ফাৰ্মাচী-মেডিকোজ পঞ্জীয়নৰ সময়সীমা উকলি যোৱাৰ পিছত নবীকৰণ নকৰাকৈ বছৰ বছৰ ধৰি চলি থকাৰ অভিযোগ উঠিছে। চৰকাৰক পঞ্জীয়ন কৰ ফাঁকি দি সংশ্লিষ্ট ফাৰ্মাচী চলি থকাৰ পিছতো বিভাগীয়ভাৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰহস্যৰ সৃষ্টি হৈছে। ইপিনে, জিলাখনৰ বিশেষকৈ চৰৰ অঞ্চলত স্থাপিত একাংশ ফাৰ্মাচীৰ চতুৰ গৰাকীয়ে ফাৰ্মাষ্টিট নোহোৱাকৈ ঔষধ ব্যৱসায় চলাই থকাৰ অভিযোগ উঠিছে। ইপিনে, বিভাগটোৰ এনে সৰলতাৰ সুযোগ লৈ ৰাজ্যত ব্যাপক হাৰত অবৈধ নিচাজাতীয় ঔষধ, ভেজাল ঔষধৰ প্ৰয়োভৰ হৈ আছে। একাংশ চৰ অঞ্চল, নৈপৰীয়া অঞ্চলৰ উপৰি গাঁও অঞ্চলৰ আৰ পি অনুজ্ঞা পত্ৰ থকা একাংশ ফাৰ্মাচীয়ে নকল ঔষধ আৰু ম্যাদ উকলি যোৱা ঔষধ বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ অভিযোগ উঠিছে। ইপিনে, তাৎপৰ্যপূৰ্ণভাৱে জিলাখনত এচাম চতুৰ ফাৰ্মাচিষ্টে নিজৰ ফাৰ্মাচী শিক্ষাৰ অনুজ্ঞা-পত্ৰ তথা লাইচেন্স দুই তিনিখন ফাৰ্মাচীত মাহিলি আঠৰ পৰা বাৰ-পোন্ধাৰ হেজাৰ টকা পৰ্যন্তত ভাড়াত দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। নিয়ম মতে, চৰকাৰৰ অনুমোদন থকা শিক্ষানুষ্ঠানৰ পৰা ফাৰ্মাচী শিক্ষাত উত্তীৰ্ণ একোগৰাকী ফাৰ্মাচিষ্টে তেওঁৰ অনুজ্ঞাপত্ৰ মাত্ৰ এখন ফাৰ্মাচীকহে প্ৰদান কৰাৰ ব্যৱস্থা আছে। তেনেস্থলত বেপেৰুৱাভাৱে একাংশ ফাৰ্মাচিষ্টে নিজৰ লাইচেন্স ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। এই বিষয়ে সংশ্লিষ্ট বিভাগে তদন্ত কৰিলে অনিয়ম ওলাই পৰিব বুলি সচেতন নাগৰিকে মন্তব্য কৰিছে। অকল এনে অনিয়মেই নহয়, দুই-একোগৰাকী চতুৰ চৰকাৰী চাকৰি প্ৰাপ্ত ফাৰ্মাচিষ্টে নিজৰ লাইচেন্সখনো গোপনে ভাড়া দিয়াৰ অভিযোগ উঠিছে। এনে অনিয়ম সন্দৰ্ভত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বুলড'জাৰ শাসনত কৰ্টৰ স্থগিতাদেশ

শাসন আৰম্ভ কৰিছে ফাড়নবিছ চৰকাৰে! নাগপুৰত সাম্প্ৰদায়িক হিংসাৰ পিছত এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ ঘৰ আৰু দোকান ভাঙি পেলোৱাৰ অভিযোগক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। হিংসাত্মক ঘটনাৰ অন্যতম অভিযুক্ত ফাহিম খানৰ ঘৰৰ এটা অংশ ইতিমধ্যে ভাঙি পেলোৱা হৈছে। প্ৰশাসনৰ এই বুলড'জাৰ নীতিক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পিছতে বম্বে' উচ্চ ন্যায়ালয়ে হস্তক্ষেপ কৰি এই কাৰ্যক অবৈধ বুলি ঘোষণা কৰি ততাতৈয়াকৈ বুলড'জাৰ অভিযান স্থগিত ৰাখে। উল্লেখ্য যে, শেহতীয়াকৈ নাগপুৰত মোগল সম্ৰাট ঔৰংজেবৰ সমাধিৰ আশে-পাশে আৰম্ভ হৈছিল সাম্প্ৰদায়িক হিংসা। তাৰ পিছত উত্তপ্ত পৰিস্থিতিৰ বাবে সংঘাতৰ সূচনা হয়। বৰ্তমান পৰিস্থিতি স্বাভাৱিক হ'লেও প্ৰশাসনে এটা নিৰ্দিষ্ট সম্প্ৰদায়ৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ বুলড'জাৰেৰে ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন হৈছে। উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ উলংঘা কৰি অবৈধ নিৰ্মাণৰ দোহাই দি কেইবাটাও ঘৰ-দোকান ভাঙি পেলোৱা হৈছে। এই ঘটনা সন্দৰ্ভত বম্বে' উচ্চ ন্যায়ালয়ত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ উদ্ধৃতি দি বুলড'জাৰ অভিযানৰ অবৈধতাৰ ওপৰত আলোকপাত কৰি এখন আবেদন দাখিল কৰা হয়। সোমবাৰে শুনানিৰ অন্তত আদালতে সকলো ধ্বংসাত্মক কাৰ্যকলাপ শীঘ্ৰে বন্ধ কৰাৰ নিৰ্দেশ দিয়াৰ লগতে প্ৰশাসনক নিজৰ ভূমিকাৰ বাবে তীব্ৰ ভৰ্ৎসনা কৰে। ন্যায়াধীশৰ কঠোৰ প্ৰশ্ন, "ঘৰৰ মালিকক কোনো জাননী নিদিয়াকৈ কিয় বুলড'জাৰ ব্যৱহাৰ কৰা হ'ল?" অভিযোগ অনুসৰি যশোধৰা নগৰ অঞ্চলৰ সঞ্জয় বাগ কলনীত হিংসাৰ অভিযোগত অভিযুক্ত দুজন লোকৰ ঘৰৰ এটা অংশ ভাঙি পেলোৱা হৈছে। ন্যায়াধীশে স্পষ্টভাৱে কয়, "কোনোবাই অপৰাধ কৰিলেও তেওঁলোকৰ ঘৰ এনেকৈ ভাঙিব নোৱাৰি। যদি আপুনি আইনী ব্যৱস্থা ল'ব বিচাৰে তেন্তে আপুনি এটা নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব।" এই গোচৰৰ পৰৱৰ্তী শুনানি ১৫ এপ্ৰিলত অনুষ্ঠিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত কংগ্ৰেছ বিধায়কৰ প্ৰতীকী

সাব্যস্ত কৰে। অসমত ২০১৬ চনত বিজেপিৰ শাসন আৰম্ভ হোৱাৰ পিছৰে ঋণৰ বোজা বৃদ্ধি পোৱাত আজি একোটাকৈ বোজা লৈ সদনৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰিছে কংগ্ৰেছৰ বিধায়সকলে। বিজেপিৰ শাসনত জনমূৰি ধাৰ বৃদ্ধি পোৱাত অসমৰ প্ৰতিগৰাকী লোকৰ মূৰত ধাৰৰ বোজা বৃদ্ধিৰ পোৱাৰ অভিযোগ উত্থাপন কৰি কংগ্ৰেছী বিধায়সকলে একো একোটাকৈ ধাৰৰ বোজাৰ লৈ প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত কংগ্ৰেছৰ বিধায়সকলে অসমৰ ওপৰত পৰা ঋণৰ বোজাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদী কংগ্ৰেছী বিধায়কসকলে ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়সকলে বিজেপিৰ ৯ বছৰীয়া শাসনত জনমূৰি ঋণৰ বোজা ৪৭,৩২৪.১৫ টকা হোৱা বুলি উল্লেখ কৰে। ঋণৰ বোজা ৪৭,৩২৪.১৫ টকাৰ পৰিমাণ লিখা একোটাকৈ বস্তা মূৰত লৈ প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰৰ বিত্তীয় নীতিৰ বিৰুদ্ধে সমালোচনা কৰি নাটকীয় ভঙ্গীৰে বিজেপিৰ শাসনত প্ৰতিজন নাগৰিকক অভূতপূৰ্ব পৰিমাণৰ ঋণৰ বোজা দিছে। এই ঋণৰ ওজন শাৰীৰিকভাৱে বহন কৰি বিৰোধীয়ে অসমৰ ৰাইজৰ ওপৰত অৰ্থনৈতিক বোজা পৰাত কৰকবকাই থকা বুলি কয়। জনসাধাৰণৰ ওপৰত ঋণৰ বোজা পৰাৰ কথা বুজাবলৈ চেষ্টা কৰা বুলিও কয়। অসমত কংগ্ৰেছৰ শাসনকালত জনমূৰি ঋণ ১১,০০০ টকাতকৈ কম আছিল। বিৰোধীৰ মতে, অসমৰ জনমূৰি ঋণৰ বোজা ৪৭,৩২৪.১৫ টকাত উপনীত হৈছে। বিত্তীয় ব্যৱস্থাপনাত বিজেপি চৰকাৰ বিফল বুলি কয়। কংগ্ৰেছ নেতাসকলে শাসকীয় দলটোক ৰাজ্যখনক এক তীব্ৰ ঋণ সংকটলৈ ঠেলি দিয়াৰ অভিযোগ উত্থাপন কৰে। এনেদৰে একপ্ৰকাৰ উত্তাল হৈ পৰে বিধানসভা।

# বৌতাৰ চুৰিৰ অভিযুক্তক হত্যাৰ ঘটনা, ইকৰাবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জে পি শৰ্মাক ৰিজাৰ্ভ ক্ল'জ

**ই-সংবাদ, ওদালগুৰি, ২৫ মাৰ্চঃ** যোৱা ১৩ মাৰ্চত ওদালগুৰি জিলাৰ বৌতাৰ কঠালবাৰী গাওঁৰ লালমোহন ৰায় নামৰ লোকজনক তামোল চুৰিৰ সন্দেহত হত্যা কৰা ঘটনাৰ পাছত বৌতা আৰক্ষী থানাৰ অন্তৰ্গত ইকৰাবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতি প্ৰাঞ্জল শৰ্মাক ৰিজাৰ্ভ ক্ল'জ কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতো উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰি কৰ্তব্যত গাফিলতিৰ ফলস্বৰূপে আজি এই শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰে জিলা আৰক্ষী অধীক্ষক পুস্কিন জৈনে। উল্লেখযোগ্য যে ১৩ মাৰ্চ তাৰিখে কঠালবাৰী গাঁৱত নিশা প্ৰায় ১১ মান বজাত তামোল চোৰৰ সন্দেহত স্থানীয় কঠালবাৰী গাঁৱৰ ৩ জন লোকৰ বিৰুদ্ধে ভয়ংকৰভাৱে প্ৰহাৰ কৰিছিল। অতি নিৰ্মমভাৱে হাত-ভৰি বান্ধি শাৰীৰিক প্ৰহাৰ কৰিছিল লালমোহন ৰায় নামৰ লোকজনক। ঘটনাৰ পাছতেই ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ অভিযুক্ত লালমোহন ৰায়ক বৌতা আৰক্ষী থানালৈ লৈ গৈছিল যদিও পৰৱৰ্তী সময়ত আৰক্ষীয়ে বৌতা আদৰ্শ চিকিৎসালয়ত অভিযুক্ত গৰাকীক স্বাস্থ্য পৰীক্ষা কৰাত স্বাস্থ্য অধিক অৱনতি ঘটাত তেওঁক প্ৰেৰণ কৰি তেজপুৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ। কিন্তু দুৰ্ভাগ্যজনকভাৱে যোৱা ২০ মাৰ্চত জিএমচিএইছত মৃত্যুক আঁকোৱালি লৈছিল লালমোহন ৰায় নামৰ লোকজনে। এই সমগ্ৰ ঘটনাৰ পাছতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ঘটনা সন্দৰ্ভত বৌতা আৰক্ষী থানাত পৰিয়ালৰ লোকে দাখিল কৰা এজাহাৰৰ ভিত্তিত ৰুজু হোৱা গোচৰৰ ভিত্তিতেই ২১ মাৰ্চৰ নিশা চুৰিৰ অভিযোগত অভিযুক্ত ৰায়ক হত্যাৰ অভিযোগত ২ জনক গ্ৰেপ্তাৰ কৰিছিল। সমান্তৰালভাৱে নিহতৰ মৃতদেহক লৈ ইকৰাবাৰী আৰক্ষী চকীৰ অন্তৰ্গত কঁঠালবাৰী গাঁৱত সৃষ্টি হৈছিল ভয়ংকৰ পৰিস্থিতিৰ। লালমোহন ৰায়ৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়াত তথা কৰ্তব্যত গাফিলতিৰ অভিযোগত আৰক্ষী বিষয়া জেপি শৰ্মাক অৱশেষত উৰ্ধতম কৰ্তৃপক্ষই ৰিজাৰ্ভ ক্ল'জ কৰে।

# ৰঙালীক আদৰাৰ প্ৰস্তুতি পিজুপাৰা বিহু হুঁচৰি দলৰ

**ই-সংবাদ, নগৰবেৰা, ২৫ মাৰ্চঃ** বাপতি সাহন হেঁপাহৰ ৰঙালী বিহুটিলৈ মাজত মাথোঁ কেইটামান দিনহে বাকী। ৰাজ্যৰ প্ৰতিটো প্ৰান্তত চলিছে হেঁপাহৰ ৰঙালী বিহুৰ প্ৰস্তুতি, আখৰা। নগৰবেৰাৰ পিজুপাৰাতো চলিছে ৰঙালীক আদৰাৰ ব্যাপক প্ৰস্তুতি। এইবেলি নগৰবেৰাৰ পিজুপাৰা আঞ্চলিক ৰঙালী বিহু উৎযাপন সমিতিয়ে ১৪, ১৭ আৰু ১৮ এপ্ৰিলত হাতত লৈছে বিভিন্ন কাৰ্যসূচী। প্ৰায় ত্ৰিশ গৰাকী নাচনী-বিহুৱা, ঢুলীয়াই এমাহ ধৰি দিনে নিশাই চলাইছে বিহুৰ আখৰা। ঢোল, পেপা, গগনাৰে সকলোকে আখৰাতব্যস্ত হৈ পৰা দেখিবলৈ পোৱা গৈছে। নগৰবেৰাৰ পিজুপাৰা আঞ্চলিক ৰঙালী বিহু হুঁচৰি দলটোৰ নাচনী বিহুৱাৰ লগতে উদযাপন সমিতিয়েও ব্যস্ত হৈ পৰিছে হেঁপাহৰ ৰঙালীক আদৰাৰ বাবে। অসমৰবিভিন্ন বিহু মঞ্চত বিহু নাচৰ বাবে সাজু হৈ আছে নগৰবেৰাৰ পিজুপাৰা আঞ্চলিক ৰঙালী বিহু হুঁচৰি দলটোৱেও।

# ৰাষ্ট্ৰীয় যোগ ক্ৰীড়াৰ ৰেফাৰী পৰীক্ষাত অসমৰ সাফল্য

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৫ মাৰ্চঃ** যোগ ফেডাৰেচন অব ইণ্ডিয়াৰ সৌজন্যত সদ্যসমাপ্ত ৰাষ্ট্ৰীয় যোগ ৰেফাৰী (গ্ৰেড-চি) ৰ পৰীক্ষাত অসমৰ বিভিন্ন জিলাৰ পৰা মুঠ তেৰগৰাকী ৰেফাৰীয়ে সফলতাৰে উত্তীৰ্ণ হৈ ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যোগ ফেডাৰেচন অব ইণ্ডিয়াৰ উপসভাপতি তথা অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰাই জনোৱামতে, ৰাজ্যখনৰ পৰা এইবাৰ সফলতা লাভ কৰা ৰাষ্ট্ৰীয় ৰেফাৰীসকল হ'ল—নগাঁৰৰ শিল্পী শিখা বৰা, পুষ্পাঞ্জলী শইকীয়া বৰা, জয়ন্ত বৰা, সংগীতা নেওগ, কাকলি কৃষ্ণ বৰা, জুলি বৰা মেধি, দেবাশ্ৰী শইকীয়া, মীনাক্ষী দাস, বজালীৰ বিভাৰাণী কলিতা, জ্যোতিষ শৰ্মা, বাক্সাৰ অঞ্জন চক্ৰৱৰ্তী, কামৰূপ গ্ৰাম্যৰ নিবেদিতা কলিতা আৰু কামৰূপ মহানগৰৰ কুমিতা ৰাজবংশী। অসম যোগ সংস্থাৰ কাৰিকৰী সঞ্চালক বিচিত্ৰ ৰঞ্জন বৰাই লগতে জনোৱামতে, ৰাষ্ট্ৰীয় যোগ ৰেফাৰী পৰীক্ষাত সদ্য উত্তীৰ্ণ ৰেফাৰীসকলক যোৱা ২৩ মাৰ্চত সন্ধিয়া অন'লাইনৰ জৰিয়তে অনুষ্ঠিত অনুষ্ঠানত আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ আগবঢ়োৱা হয়। আনহাতে অসমৰ পৰা ৰাষ্ট্ৰীয় যোগ ৰেফাৰী পৰীক্ষাত এইবাৰ সফলতা লাভ কৰা ৰেফাৰীসকলক অসম যোগ সংস্থাৰ কোষাধ্যক্ষ মঞ্জুলা লস্কৰ, যুটীয়া সম্পাদক সমীৰ হাজৰিকা, কাৰ্যালয় সম্পাদক নিজৰা বৰা আৰু কাৰিকৰী সঞ্চালক বিচিত্ৰ ৰঞ্জন বৰাই অভিনন্দন জ্ঞাপন কৰিছে। ইপিনে, অসম যোগ সংস্থাই যোগ ফেডাৰেচন অব ইণ্ডিয়াৰ অধ্যক্ষ অশোক কুমাৰ আগৰৱালা, সভাপতি ইন্দু আগৰৱালা আৰু আন বিষয়ববীয়াসকলক যোগাসন ক্ৰীড়াৰ ৰেফাৰী পৰীক্ষাৰ বাবে লোৱা এনে পদক্ষেপৰ বাবে কৃতজ্ঞতা জনাইছে। উল্লেখ্য যে, বিগত বৰ্ষতো অসমৰ পৰা ৰাষ্ট্ৰীয় যোগ ৰেফাৰী পৰীক্ষাত বাৰগৰাকীয়ে সফলতা লাভ কৰিছিল। যাৰবাবে ৰাজ্যৰ যোগ ক্ৰীড়াপ্ৰেমীসকলে আনন্দ প্ৰকাশ কৰিছে।



আইপিএল ২০২৫: পঞ্জাৱ কিংছৰ বিৰুদ্ধে উইকেট দখলৰ পিছত গুজৰাটৰ ৰাছিদ খান



সম্পূৰ্ণ নহ'ল শতক! আইপিএলত গুজৰাটৰ বিৰুদ্ধে অপৰাজিত ৯৭ ৰানৰ ইনিংছ পঞ্জাৱৰ শ্ৰেয়ছ আয়াৰৰ

## শ্ৰীলংকাৰ শাস্তিৰ সন্মুখীন ভাৰতীয় মূলৰ ক্ৰিকেটাৰ যোগী

# মেচ ফিক্সিঙৰ অপৰাধত ৪ বছৰ জে'ল, ২.৫ কোটি জৰিমনা

**কলম্বো, ২৫ মাৰ্চঃ** মেচ ফিক্সিঙৰ অপৰাধত চাৰি বছৰৰ কাৰাদণ্ডৰ শাস্তি বিহা হ'ল এগৰাকী ভাৰতীয় মূলৰ ক্ৰিকেটাৰক। শ্ৰীলংকা আদালতে ভাৰতীয় নাগৰিক যোগী পেটেলক মেচ ফিক্সিঙৰ অপৰাধত এই শাস্তি প্ৰদান কৰিছে। ইয়াৰ উপৰিও ২.৫ কোটি টকা জৰিমনাও বিহা হৈছে যোগী পেটেলক। অভিযোগ অনুসৰি ২০২৪ চনত কেণ্ডীত অনুষ্ঠিত লিজেণ্ডছ লীগ টি-২০ প্ৰতিযোগিতাৰ সময়ত যোগী পেটেলে একাধিক ক্ৰিকেটাৰৰ সৈতে যোগাযোগ কৰি মেচ ফিক্সিঙৰ চেষ্টা কৰিছিল। যোগী পেটেলে দীৰ্ঘদিন ধৰি ব্যৱসায়ৰ বাবে শ্ৰীলংকাত বাস কৰি আহিছে। তেওঁৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছে শ্ৰীলংকা ক্ৰিকেট ব'ৰ্ডৰ মুখ্য নিৰ্বাচক উপুল থাৰংগাই। তদন্তত প্ৰমাণ পোৱাৰ পিছত যোৱা বছৰৰ মাৰ্চ মাহত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। অৱশ্যে জামিনত মুক্তি পোৱাৰ পিছত শ্ৰীলংকাৰ পৰা পলায়ন কৰে যোগীয়ে। যোগীৰ অধিবক্তাই আদালতত দাবী কৰে যে তেওঁ জীৱনৰ ভয়ত পলায়ন কৰে। কিন্তু আদালতে সেই যুক্তি মানি ল'বলৈ অস্বীকাৰ কৰে। শ্ৰীলংকাৰ আৰক্ষী চোৰাংচোৱা বিভাগক ইণ্টাৰপ'লৰ জৰিয়তে যোগী পেটেলৰ বিৰুদ্ধে ৱাৰেণ্ট জাৰি কৰিবলৈ নিৰ্দেশ দিয়া হয়। অৱশেষত পৰিস্থিতিৰ হেঁচাত আত্মসমৰ্পণ কৰে যোগী পেটেলে। শ্ৰীলংকাই ২০১৯ চনত ক্ৰীড়াৰ দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন কৰিছিল। সেই আইনৰ অধীনত যদি দোষী সাব্যস্ত হয় তেন্তে সৰ্বোচ্চ শাস্তি হ'ব ১০ বছৰৰ কাৰাদণ্ড বা ৪.৫ কোটি টকীয়া জৰিমনা। যদিও যোগীৰ গোচৰত শাস্তি কম, তথাপিও তেওঁ ২.৫ কোটি টকা জৰিমনা ভৰিব লাগিব লগতে মানহানিৰ বাবে উপল থাৰংগাক ক্ষতিপূৰণ হিচাপে ৫০ লাখ টকা দিব লাগিব। শ্ৰীলংকা প্ৰশাসনে সদায় মেচ ফিক্সিঙৰ ক্ষেত্ৰত কঠোৰতা অৱলম্বন কৰি আহিছে। এইবাৰো ইয়াৰ ব্যতিক্ৰম নহ'ল। যোগী পেটেলৰ শাস্তিয়ে ভাৰতত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি